# গণৰাজ্য দিৱস, ২০১৭ উদ্‌যাপন উপলক্ষে ৰাজ্যপালৰ ভাষণ

সন্মানীয় নাগৰিকসকলৰ আৰু মোৰ মৰমৰ ছাত্র-ছাত্রীসকল,

ভাৰতৰ ৬৮ তম গণৰাজ্য দিৱস উদ্‌যাপন কৰিবলৈ পাই আজি আমি যথেষ্ট গৌৰৱান্বিত আৰু সুখী অনুভৱ কৰিছো। আজিৰ এই পৱিত্র ক্ষণত মই অসমৰ সমূহ জনসাধাৰণলৈ অভিনন্দন জনাইছো আৰু তেখেতসকললৈ মই মোৰ আন্তৰিক শুভেচ্ছা তথা ওলগ যাচিছো। লগতে, আজিৰ এই পৱিত্র উপলক্ষতে এখন সমৃদ্ধিশালী ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত আমাৰ পূৰ্বপুৰুষ সকলে প্ৰদৰ্শন কৰি যোৱা সৰল মানসিকতা, অদম্য সাহস আৰু দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে তেখেতসকললৈকো মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। পৌৰাণিক ভাৰতবৰ্ষৰ আত ধৰি কেবা শতিকাজুৰি আধুনিক যুগলৈকে ক্ৰমবিকাশ ঘটা আমাৰ চহকী আৰু প্ৰশংসনীয় গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতিও আজি আমি আমাৰ শ্ৰদ্ধাঞ্জলী নিৱেদন কৰিছো।

অসম হৈছে এখন গণৰাজ্য হিচাপে ভাৰতবৰ্ষৰ ঐতিহাসিক ৰূপান্তৰৰ এক এৰাবনোৱাৰা অংগ। আৰ্য্য যুগৰ প্ৰথম কালছোৱাৰ পৰা নৰকাসুৰ, বান, ভগদত্ত আৰু অন্যান্যসকলৰ বিষয়ে আমি জানিবলৈ পাওঁ। বৃহত্তৰ ভাৰতবৰ্ষৰ পশ্চিম আৰু মধ্য-অংশৰ সৈতে এই লোকসকলৰ গাঢ় সম্বন্ধ আছিল। কুৰুক্ষেত্ৰ যুদ্ধত ভগদত্তই লোৱা ভূমিকা (যদিওঁ প্ৰৱাদমতে)ই মূলভূখণ্ড ভাৰতৰ সৈতে প্ৰাগজ্যোতিষপুৰ/আধুনিক অসমৰ যোগসূত্ৰ থকাকেই প্ৰমাণ কৰে।

মধ্যযুগত অসমৰ কুমাৰ ভাস্কৰ বৰ্মণৰ সৈতে সেই সময়ৰ একত্ৰিত ভাৰতবৰ্ষৰ সৰ্বশেষ পৰাক্ৰমী ৰজা হৰ্ষবৰ্দ্ধনৰ গাঢ় বন্ধুত্ব আছিল। মহান চীনা পৰিব্ৰাজক হিওৱেন চাঙে সেই সময়ৰ বিষয়ে লিখি থৈ যোৱা বিৱৰণে অসম আৰু মূল-ভূখণ্ড ভাৰতবৰ্ষৰ মাজত থকা যোগসূত্ৰৰ বিষয়ে আমাক অৱগত হোৱাত সহায় কৰে।

পৰৱৰ্তী সময়ছোৱাত, আহোম, কছাৰী আৰু কোচ ৰজা আদিৰ লেখীয়া অসমৰ প্ৰশাসকসকলে গৌৰৱেৰে প্ৰাদেশিক স্বতন্ত্ৰতা বজাই ৰাখিও মূল ভূ-খণ্ড ভাৰতবৰ্ষৰ সৈতে যোগাযোগ (কথা-বতৰা) অব্যাহত ৰাখিছিল।

দেশৰ স্বাধীনতাৰ হকে যুজ দিয়া মণিৰাম দেৱান, কুশল কোঁৱৰ, পিয়লি ফুকন, মুকুন্দ কাকতী, কণকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী আৰু অন্যান্যসকলৰ লেখীয়া আমাৰ ৰাজ্যখনৰ শ্বহীদ আৰু স্বাধীনতা সেনানীসকলৰ মহান ত্যাগ আৰু অৱদানৰ কথা আজি আমি কৃতজ্ঞতাৰে স্মৰণ কৰিছো। লগতে, আজি আমি স্বাধীনতা যুজত ভুমিকা লোৱা তথা আধুনিক অসমৰ সৰলীকৰণ আৰু ইয়াক ৰূপ দিয়াত মুখ্য ভূমিকা পালন কৰা কৰ্মচাৰী, বৃত্তিজীৱি লোক, প্ৰযুক্তিবিদ শিল্পী, সমাজ কৰ্মী আৰু সংবাদ মাধ্যমৰ লোকসকলে পালন কৰা উল্লেখযোগ্য আৰু সংকতপূৰ্ণ ভূমিকাৰ কথা শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সোঁৱৰিছো।

বিগত বছৰ সমূহত ভাৰতবৰ্ষত গণতন্ত্ৰই যথেষ্ট দ'লৈকে শিপাইছে। ভাৰতবৰ্ষৰ সংবিধানে দেশখনত সমাজবাদ, ধৰ্মনিৰপেক্ষতাবাদ আৰু গণতন্ত্ৰৰ বুনিয়াদ স্থাপন কৰিছে। সংবিধানখনে দেশখনৰ সকলো নাগৰিকলৈ ন্যায়, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধ নিশ্চিত কৰিছে। অতীতৰে

পৰা ধৰ্মনিৰপেক্ষতাবাদ আৰু সহনশীলতা হৈছে আৰু ৰাষ্ট্ৰখনৰ মূল বৈশিষ্ট। অন্যান্য ৰাষ্ট্ৰসমূহেও এই কথা স্বীকৃতি দিছে যে ভাৰতবৰ্ষই ইয়াৰ "বাসুদেৱ-কুটুম্বকম" - নামৰ মূল মন্ত্ৰৰে জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সকলো লোককে সৰলীকৰণ কৰি তুলিছে, যাতে আটায়ে শান্তি আৰু শৃঙ্খলাৰে বাস কৰি থাকিব পাৰে। এই সুযোগতে মই ভাৰতবৰ্ষৰ সকলো প্ৰাক্তন প্ৰধানমন্ত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে, আমাৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীলৈওঁ শ্ৰদ্ধা জ্ঞাপন কৰিছো, কিয়নো তেখেতৰ নেতৃত্বতে ভাৰতৰ সৰ্বজনবিদিত মূল্যবোধক আপোচ নকৰাকৈয়ে ভাৰতবৰ্ষই উন্নয়নৰ এক নতুন শিখৰত উপনীত হৈছে তথা আধুনিক বিশ্বত ইয়াৰ উপস্থিতি সাব্যস্ত কৰিবলৈ সক্ষম হৈছে।

এখন মুক্ত আৰু আধুনিক ৰাষ্ট্ৰ নিৰ্মাণত তথা যুৱ-প্ৰজন্মৰ আশা-আকাংখ্যাসমূহ পূৰণত আমাৰ ৰাষ্ট্ৰৰ পূৰ্বৱৰ্তী ভেটি স্থাপন কৰোতাসকলৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত আমি কিমান সফলতা লাভ কৰিছো সেই বিষয়ে পৰ্যালোচনা কৰি চোৱাৰ বাবেঁও আজিয়েই হৈছে আমাৰ বাবে এক পৱিত্ৰ উপলক্ষ। এখন মুক্ত সমাজ গঠন, জাতি, বৰ্ণ, ভাষা আৰু ধৰ্ম নিৰ্বিশেষে এখন ঐক্যবদ্ধ ৰাষ্ট্ৰ নিৰ্ম্মাণ আৰু সকলোৰে উন্নয়নক সামৰি বিভিন্ন সম্প্ৰদায়ৰ মাজত শান্তি আৰু সমৃদ্ধিৰ হকে কাম কৰা এখন বহলভিত্তিত সমাজ গঠনৰ ক্ষেত্ৰত আমি কৰা কাম-কাজ পৰ্য্যালোচনা কৰাৰ এয়ে হৈছে উপযুক্ত সময়।

বৰ্তমান চৰকাৰৰ দিনত সাধিত হোৱা ন ন উন্নয়ন আৰু উদ্ভাৱনীমূলক কাম-কাজৰ সাক্ষী হৈছে অসমৰ জনসাধাৰণ। এইখিনিতে, বিভিন্ন ক্ষেত্ৰত লাভ কৰা কেতবোৰ গুৰুত্বপূৰ্ণ সাফল্য তথা বৰ্তমানে চলি থকা প্ৰকল্প/আচনিসমূহৰ বিষয়ে মই আলোকপাত কৰিব বিচাৰিছো, যিবোৰ প্ৰকল্প তথা আচনি ৰাজ্যখনক আৰু অধিক প্ৰগতি আৰু সমৃদ্ধিৰ পথত আগুৱাই নিব।

**ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ ঃ-**

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম সুচাৰুৰূপে আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ বাবে অসম চৰকাৰে সকলো প্ৰচেষ্টা হাতত হৈছে। উল্লেখ্যযোগ যে ৬৮.২১ লাখ খন আবেদন প্ৰ-পত্ৰৰ ক্ষেত্ৰীয় পৰীক্ষণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াৰ ফলাফলো লাভ কৰা হৈছে। কাৰ্য্যালয়-পৰীক্ষণৰ বাবে হাতত লোৱা ৫.৯৪ কোটি নথিৰ ভিতৰত নথি প্ৰদানকাৰী কৰ্ত্তৃপক্ষৰ হাতত উপলব্ধ মূল নথিৰ সৈতে তুলনা কৰি ৫.৪৬ কোটি নথিপত্ৰ (৯১.৮৯%) ইতিমধ্যে পৰীক্ষা কৰি চোৱা হৈছে। আন্তঃৰাজ্যিক পৰীক্ষণৰ বাবে ৩.৫৫ লাখ নথিপত্ৰ বিভিন্ন ৰাজ্যলৈ প্ৰেণ কৰা হৈছে। ইয়াৰে মাত্ৰ ৬৪,৪৫২ খন নথিপত্ৰৰ পৰীক্ষণ ফলাফল এতিয়ালৈকে লাভ কৰা হৈছে। আন্তঃদেশীয় পৰীক্ষণ প্ৰয়োজন হোৱা ৪০২ (চাৰিশ দুই) খন নথিপত্ৰ পৰীক্ষণৰ বাবে ভাৰতীয় দূতাবাশ য় উচ্চায়ুক্ত ইত্যাদিৰ জৰিয়তে বহিঃপৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হৈছে, আৰু ইয়াৰে ৪৪(চ'ৰাল্লিছ) খন নথিপত্ৰৰ পৰীক্ষণ ফলাফল লাভ কৰা হৈছে। পৰীক্ষণৰ সময়ছোৱাত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কেতবোৰ আবেদনকাৰীয়ে কেতবোৰ ভুৱা নথিপত্ৰ দাখিল কৰাটো ধৰা পৰিছে আৰু এতিয়ালৈকে এনেধৰণৰ জালিয়াতিৰ বাবে সমগ্ৰ ৰাজ্যখনতে মুঠ ১৬৬ খন এজাহাৰ দাখিল কৰা হৈছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নামভৰ্ত্তিৰ বাবে দাখিল কৰা ভুৱা নথিপত্ৰ ভালদৰে অনুসন্ধান কৰাৰ বাবে আমাৰ চৰকাৰে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (চি.আই.ডি)ৰ নেতৃত্বত এটা তদন্তকাৰী দল গঠন কৰি দিছে।

## খাদ্য আৰু অসামৰিক যোগান

আমাৰ চৰকাৰে ২০১৫ চনৰ ডিচেম্বৰ মাহৰ পৰা অসমত 'খাদ্য নিৰাপত্তা আইন, ২০১৩' (NFSA, ২০১৩) সফলতাৰে ৰূপায়ণ কৰিছে। 'ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা আইন, ২০১৩' - কৰ অধীনত ৰাজ্যখনৰ মুঠ ২৫২১৮০০১ গৰাকী লোকক সামৰি লোৱা হৈছে। ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা আইন, ২০১৩ ৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থা /লক্ষ্য নিৰ্দ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থা, অৰ্থাৎ অন্ত্যোদয়া অন্নযোজনা, দাৰিদ্ৰ সীমাৰেখাৰ তলৰ, দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনৰ সকলো যোগ্য হিতাাধিকাৰীকে অন্ত্যোদয়া অন্নযোজনাৰ পৰিয়াল আৰু অগ্ৰাধিকাৰ পৰিয়াল হিচাপে সামৰি লোৱা হৈছে। বৰ্তমান প্ৰতিগৰাকী সদস্যই প্ৰতিকিলোগ্ৰাম চাউলত ৩ টকা দৰ হিচাপে অন্ত্যোদয়া অনুযোজনাৰ পৰিয়ালসমূহে প্ৰতিমাহে ৩৫ কিঃগ্ৰাম ৰাজসাহায্য প্ৰাপ্ত চাউল লাভ কৰি আছে আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালসমূহে প্ৰতিমাহে ৫ কিঃগ্ৰাম ৰাজসাহায্য প্ৰাপ্ত চাউল লাভ কৰি আছে।

আমাৰ চৰকাৰে অসমত 'প্ৰাধন মন্ত্ৰী উজ্জ্বলা যোজনা' ৰূপায়ণ কৰি আছে। তাৰোপৰি CONFONET প্ৰকল্পৰ অধীনত আমি সকলো জিলা গ্ৰাহক ফ'ৰাম আৰু অসম ৰাজ্যিক গ্ৰাহক বিবাদ নিষ্পত্তিকৰণ আয়োগলৈ ইন্টাৰনেট সংযোগ ব্যৱস্থা প্ৰদান কৰিছো।

ৰাজ্য চৰকাৰে ১০০ দিনীয়া কৰ্ম আঁচনিৰ অধীনত ৰাজ্যখনৰ বিভিন্ন জিলা /মহকুমাত আমি ১৮৫৬ খন 'আমাৰ দোকান' মুকলি কৰিছো। ইয়াৰ জৰিয়তে গ্ৰাহক সকললৈ ২২ বিধ অত্যাৱশ্যকীয় সামগ্ৰী ছপাকৰণ সৰ্বচ্চ্য খুচুৰা মূল্যতকৈ বহু কম মূল্যত যোগান ধৰা হৈছে। চৰকাৰে 'ভ্ৰাম্যমান আমাৰ দোকান' মুকলি কৰাৰো পৰিকল্পনা গ্ৰহণ কৰিছে। এই আচনিৰ অধীনত গ্ৰাহক সকললৈ ই-ৰিক্সাৰ জৰিয়তে ঘৰৰ পদূলিতে অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰা হ'ব।

## পৰ্যটন

পৰ্যটন খণ্ডৰ প্ৰসাৰৰ বাবে ইয়াৰ আন্তঃগাথনি উন্নয়নৰ প্ৰতি আমাৰ ৰেকাৰে অহৰহ গুৰুত্ব প্ৰদান কৰি আহিছে। পৰ্যটন বিভাগে আন্তঃগাথনিগত উন্নয়নত অংশ গ্ৰহণ কৰিবলৈ আৰু স্থানীয় লোক তথা চৰকাৰৰ কল্যাণৰ বাবে অধিক ৰাজহ সৃষ্টিৰ অৰ্থে ব্যক্তিগত খমডক উৎসাহিত কৰিছে। চৰকাৰে হাতত লোৱা বিভিন্ন পদক্ষেপৰ ফলত বিগত বৰ্ষ সমূহত পৰ্যটকৰ সংখ্যা যতেষ্ট বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে বিগত বৰ্ষসমূহত ঘৰুৱা পৰ্যটকৰ সংখ্যা ৪৪,৮৮৩৯ গৰাকীৰ পৰা ৫৬,৮২,৯৫০ গৰাকীলৈ আৰু বিদেশী পৰ্যটকৰ সংখ্যা ১৯,০৮৬ গৰাকীৰ পৰা ২৬৩২০ গৰাকীলৈ বৃদ্ধি পোৱা আমি দেখিছো।

বিভাগে এলানি উদ্ভাৱনীমূলক আঁচনি হাতত লৈছে। সেইবোৰ হৈছে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিমান উৰণত ব্যৱহাৰ কৰা বিজ্ঞাপন তথা আহমদাবাদ, মুম্বাই, হায়দৰাবাদ ইত্যাদিত প্ৰদৰ্শন কৰা 'ৰ'ডশ্ব'।

ধৰ্মীয় পৰ্যটনৰ প্ৰসাৰৰ বাবে পৰ্যটন বিভাগে অন্যান্য বিভাগৰ সহায়েৰে ২০১৬-১৭ বিত্তীয় বৰ্ষত ব্যাপকভাবে অম্বুবাচী মেলাৰ আয়োজন কৰিছিল। জনসাধাৰমৰ মাজত সজাগতা সৃষ্টিৰ বাবে ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমত ব্যাপক প্ৰচাৰ চলোৱা হৈছে।

ৰাজ্যখনৰ পৰ্যটনখণ্ডৰ বিভিন্ন দিশসমূহ ব্যাপকভাৱে দাঙি ধৰাৰ বাবে এই বছৰ অসম চৰকাৰৰ পৰ্যটন বিভাগে যশশ্ৰী চলচিত্ৰ শিল্পী প্ৰিয়ংকা চোপ্ৰাক ব্ৰেণ্ড এম্বেচাদৰ হিচাপে নিয়োগ কৰিছে। ব্যাপক প্ৰচাৰৰ জৰিয়তে ৰাজ্যখনক দাঙি ধৰা বাবে অসম পৰ্যটনৰ বাবে এগৰাকী পৰামৰ্শদাতাও (consultant) নিয়োগ কৰা হৈছে।

তদুপৰি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত পৰ্যটক সকলৰ ক্ৰমান্বয়ে বৃদ্ধি পাই অহা প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ অৰ্থে বিভাগে 'আমাৰ আলহী' (ঘৰতে আলহী ৰাখা ধাৰণা)' নামৰ এক নতুন পদক্ষেপ প্ৰৱৰ্তন কৰিছে।

আত্মনিয়োজনৰ বাবে পৰ্যটন বিভাগে স্থলীসমূহৰ সৈতে জড়িত হৈ থকা ৰপ্তজ্ঞ গৰাকী পৰ্যটন গাইডক প্ৰশিক্ষণ প্ৰদান কৰিছে। নগাঁও জিলাৰ চামগুৰিস্থিত ফুড্ ক্ৰাফট্ ইনষ্টিটিউট 'ফ্ৰন্ট ডেক্স মেনেজমেন্ট', বেকাৰী আৰু কনফেক্সনাৰী, হাউছ কিপিং ইত্যাদিত দক্ষতা বিকাশ কাৰ্য্যসূচী গ্ৰহণ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। এই কাৰ্য্যসূচীসমূহে ৰাজ্যখনত বৃদ্ধি পাই অহা চাহিদা পূৰণৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদ সৃষ্টিত বিভাগটোক নিশ্চিতভাবে সহায় কৰিব।

## বিত্ত

চতুৰ্দ্দশ বিত্ত আয়োগৰ পৰামৰ্শৱলী অনুসৰি কেন্দ্ৰীয় পৰ্য্যায়ত নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত যথেষ্ট পৰিবৰ্তন সাধন কৰা হৈছে। ইয়াৰ দ্বাৰা ৰাজ্যসমূহলৈ কেন্দ্ৰীয় চৰকাৰে কৰা বৃহৎ পুজি হস্তান্তৰ কেন্দ্ৰীয় কৰৰ অংশ হিচাপে যোগান ধৰা হৈছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে 'ReSTART Assam' পৰিবৰ্তিত অসমৰ সম্পদ বৃদ্ধিৰ বাবে পুনৰ গঠন পদ্ধতি আৰু প্ৰযুক্তি' - নামৰ এখন আঁচনি আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা সমন্বিত আৰু সংঘবদ্ধ অভিযান আকাৰে ৰাজ্যখনৰ নিজা সম্পদৰ জৰিয়তে সাম্ভব্য সৰ্ব্বচ্য পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিব পৰা যাব। ইয়াৰ জৰিয়তে স্বাধীনতাৰ আগত ভাৰতৰ আটাইতকৈ সমৃদ্ধিশালী ৰাজ্যসমূহৰ ভিতৰত এখন ৰাজ্য হিচাপে থকা আমাৰ ৰাজ্যখনৰ সুনাম পুনৰ উভতাই অনাটো সম্ভৱ হ'ব।

অসমৰ নতুন চৰকাৰে গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুঁজিৰে অধীনত নাবাৰ্ডৰ পৰা লাভ কৰা সাহায্যৰে গাওঁসমূহৰ সৰ্বাঙ্গীন বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। চলিত বিত্তীয় বৰ্ষত ১৫০৫ কোটি টকাৰ আবন্টনৰ বিপৰীতে ৰাজ্য চৰকাৰে ১৩৫৫.৭৯ কোটি টকাৰ বিতং প্ৰকল্প প্ৰতিবেদন দাখিল কৰিছে। ইয়াৰ দ্বাৰা কৃষি, ৰেচম, ভূমি সংৰক্ষণ, শিক্ষা, পৰ্যটন, স্বাস্থ্য, জনস্বাস্থ্য কাৰীকৰি, সমবায় ইত্যাদিৰ নিচিনা খণ্ডসমূহ সামৰি লোৱা হ'ব।

নতুন চৰকাৰখনে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ জৰিয়তে অতিৰিক্ত সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰিছে। বিত্ত বিভাগে LEAP- নামৰ এটা উৎসৰ্গিকিত কোষ গঠনৰ জৰিয়তে এই কাম সংঘবদ্ধ আৰু সমন্বিত প্ৰচেষ্টাৰে কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

বৰ্তমানৰ চৰকাৰখনে ইয়াৰ বাজেট ভাষণত ' মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)' - নামৰ এক 'মেগা মিছন' আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছে। ই ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ৫ বছৰৰ বাবে আৰম্ভ হৈ ২০২১-২২ বিত্তীয় বৰ্ষলৈকে অব্যাহত থাকিব। উল্লেখযোগ্য যে

২০২২ চনত ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ KAM(M)263/ 0/322 মৰ্মে ' মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামৰ 'মেগা মিছন ছ'ছাইটি' খনক ছ'ছাইটি পঞ্জীয়ন আইন - ১৮৬০ ৰ অধীনত পঞ্জীয়ন কৰা হৈছে। এই মেগা মিছন ছ'ছাইটিখনলৈ ইতিমধ্যে ৫০০ কোটি টকা মোকলাই দিয়া হৈছে।

## জলসম্পদ

আমাৰ ৰাজ্যখন এখন বানপ্ৰাৱণ ৰাজ্য আৰু প্ৰতিবছৰে আমি ইয়াৰ বাবে বৃহৎ ক্ষতিৰ সন্মুখীন হৈ আহিছো। বৰ্তমানৰ চৰকাৰে বহুকেইখন আঁচনি ৰূপায়ণ কৰি আছে আৰু ৰাষ্ট্ৰীয় বাৰ আয়োগে চিনাক্ত কৰা অনুসৰি ৰাজ্যখনৰ বানপ্ৰৱণ এলেকাৰ ৩১.০৫ লাখ হেক্টৰ ভূমিৰ ভিতৰত ১৬.৫০ লাখ হেক্টৰ ভূমি সুৰক্ষিত কৰিবলৈ সক্ষম হৈছে। ৪৪৭৪.৪২ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ, ৯৩৯ টা খহনীয়া প্ৰতিৰোধসমূহক আৰু নগৰ সুৰক্ষা কাম, ৯৭ টা বৃহৎ শ্লুইচ আৰু ৫৪৫ টা ক্ষুদ্ৰ শ্লুইচ নিৰ্মাণ, ৮৭৪.৯৭ কিঃমিঃ দৈৰ্ঘ্যৰ নলা নিৰ্মাণ আৰু ৭৭১.৮৭২ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি মেৰামতিৰ যোগেদি এই কাম কৰা হৈছে।

ৰাজ্যখনৰ বান প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ৪৪৫৪.০৯ কোটি টকা ব্যয়ত ব্ৰহ্মপুত্ৰ নগীৰ নিকতবৰ্তী মথাউৰিসমূহ মেৰামতিৰ বাবে এক ব্যাপক আচনি যুগুত কৰিছে। বিতং প্ৰকল্প প্ৰতিবেদনখন চি.ডব্লিউ চিৰ পৰ্য্যবেক্ষণত কথা হৈছে।

মাজুলীৰ সুৰক্ষা বাবে বিভাগে ৩৩৭.১৪ কোটি টকাৰ এই প্ৰস্তাৱ যুগুত কৰি উলিয়াইছে। মাজুলীৰ যোগাযোগ ব্যৱস্থা উন্নত কৰিবলৈ বৰ্তমানে থকা মথাউৰিটো পথ তথা মথাউৰিলৈ পৰিবৰ্তন কৰাৰ এই প্ৰস্তাৱ বিবেচনাধীন হৈ আছে।

ব্ৰহ্মপুত্ৰ নদীৰ খনন কাৰ্য্যৰ বিষয়টো জলসম্পদ বিভাগে সক্ৰিয়ভাবে বিবেচনা কৰি আছে। ইফালে এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ খনন নিগমে (ডি চি আই) ইতিমধ্যে ব্ৰহ্মপুত্ৰ নদীৰ প্ৰাথমিক জৰীপৰ কাম সম্পন্ন কৰিছে।

## আবকাৰী বিভাগ

আবকাৰী ৰাজহ সৃষ্টি আৰু ইয়াৰ সংগ্ৰহ বৃদ্ধিৰ বাবে আমাৰ চৰকাৰে আবকাৰী বিভাগৰ কাম-কাজ উন্নত কৰাৰ বিভিন্ন পদক্ষেপ হাতত লৈছে।

২০১৫-১৬ বিত্তীয় বৰ্ষত আবকাৰী ৰাজহ হিচাপে বিভাগে ৭৯৯.৫৩ কোটি টকা সংগ্ৰহ কৰিছে। চলিত বিত্তীয় বৰ্ষত ২০১৬ চনৰ নৱেম্বৰ মাহলৈকে ৫৭০.৯৬ কোটি টকা সংগ্ৰহ কৰা হৈছে।

অসম ৰাজ্যিৰ ৰাজহুৱা বিত্ত প্ৰাতিষ্ঠানিক সংস্কাৰ (ASPIRe)-ৰ অধীনত আবকাৰী বিভাগটো ডিজিটাইজ কৰা হৈছে আৰু সকলো ধৰণৰ ধন প্ৰদান, মাচুল, অনুজ্ঞাপত্ৰ ইত্যাদিৰ কাৰ্য অনলাইন যোগে আৰু সম্পূৰ্ণৰূপে ডিজিটেল পদ্ধতিত কৰা হ'ব।

পৰম্পৰাগত দেশীয় সুৰাক আন্তৰাষ্ট্ৰীয় মানদণ্ডৰ বিলাতী সুৰালৈ উন্নত কৰাৰ পদক্ষেপ হাতত লৈছে। এনে ধৰমৰ পৰম্পৰাগত সুৰাৰ লগত জড়িত গ্ৰাম্য জনগোষ্ঠীয় লোকসকলক ই সহায় কৰিব। ইয়াৰ ফলত পৰ্যটন উদ্যোগটোৰ প্ৰসাৰণত সহায় কৰিব বুলি আশা কৰা হৈছে আৰু লগতে ই.নিয়োগ আৰু জীৱিকা সৃষ্টিটো সহায় কৰিব।

দেশীয় সুৰাৰ মহল সমূহ আৱন্তণ দিয়াৰ ক্ষেত্ৰত থকা বৰ্তমানৰ ব্যৱস্থাটো পুনৰীক্ষমৰ বাবেওঁ আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। অবৈধ সুৰাক প্ৰতিৰোধ কৰাৰ অৰ্থে বিদেশী সুৰাৰ আৰ্হিত দেশীয় সুৰাৰ প্ৰস্তুতি আৰু বিক্ৰীক আধুনিকীকৰণ কৰিবলৈ এক নতুন দেশীয় সুৰা নীতি প্ৰৱৰ্তন কৰিবলৈ লোৱা হৈছে।

**জলসিঞ্চন বিভাগ ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ আমাৰ সমূহ কৃষকলৈ জলসিঞ্চনৰ সা-সুবিধা আগবঢ়োৱাৰ বাবে আমাৰ চৰকাৰে সবল প্ৰচেষ্টা চলাই আহিছে। সম্পূৰ্ণ হোৱা আৰু কাম চলি থকা উভয় প্ৰকাৰৰ বৃহৎ/মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন আঁচনিসমূহৰ জৰিয়তে ২০১৬ চনৰ মাৰ্চ পৰ্যন্ত জলসিঞ্চন বিভাগে নিৰ্ধাৰিত ২৭ লাখ হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ বিপৰীতে ৭.৮২ লাখ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰিছে।

**বিধায়িনী বিভাগ ঃ** আইনী বিবাদসমূহৰ দক্ষ নিষ্পত্তিকৰণ কৰাৰ প্ৰতিও আমাৰ চৰকাৰে সৰ্বাত্মক প্ৰচেষ্টা গ্ৰহণ কৰিছে আৰু আইনসমূহ শক্তিশালী কৰি তুলিব বিচাৰিছে। অসম চৰকাৰী ভাষা (কেন্দ্ৰীয় আইনসমূহৰ অনুবাদ) আয়োগৰ অধীনত ৩২৪ খন কেন্দ্ৰীয় আইন আঞ্চলিক ভাষালৈ অনুবাদ কৰা হৈছে আৰু ২০১৬ জনৰ ডিচেম্বৰ পৰ্যন্ত সাতখন কেন্দ্ৰীয় আইন গেজেটত প্ৰকাশিত হৈছে।

অসম আইনী সেৱা প্ৰাধিকাৰী আইন, ১৯৮৭ ৰ লক্ষ্য আৰু উদ্দেশ্যসমূহত উপনীত হোৱাৰ লক্ষ্য আগত ৰাখিও এই প্ৰাধিকৰণে লক্ষ্য নিৰ্ধাৰিত হিতাধিকাৰীলৈ আইনী সাহায্য প্ৰদান, লোক আদালত, আইনী সজাগতা শিবিৰ অনুষ্ঠিত কৰা আদিৰ দৰে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। ৰাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশৰ এক অংশ হিচাপে তেওঁলোকে মধ্যস্থতাকাৰী কেন্দ্ৰও স্থাপন কৰিছে আৰু অৰ্ধ আইনী স্বেচ্ছাসেৱক (Para legal volunteers) সকল আৰু অসমৰ আইনী সাহায্য পৰামৰ্শদাতাসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰিছে।

ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদানেৰে দৰং, নলবাৰী, শোণিতপুৰ আৰু তিনিচুকীয়াত বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বঙাইগাঁও, ধেমাজি, কাছাৰ, গোলাঘাট, যোৰহাট আৰু ডিব্ৰুগড়ত ইয়াৰ কাম চলি আছে (কোকৰাঝাৰ আৰু বৰপেটাতো ইয়াৰ কাম আৰম্ভ কৰাৰ সম্ভাৱনা আছে)। চতুৰ্দশ বিত্ত আয়োগৰ অনুদানেৰে অন্যান্য জিলাসমূহতো বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰৰ নিৰ্মাণকাৰ্য পৰ্যায়ক্ৰমে হাতত লোৱা হ'ব।

**সংসদীয় পৰিক্ৰমা বিভাগ ঃ** আমাৰ ছাত্ৰ-ছাত্ৰীসকলক বিধানসভাৰ কাৰ্যাৱলীৰ এক পোনপটীয়া চাক্ষুস আভাষ দিয়াৰ মানসেৰে ২০১৭ বৰ্ষৰ সমাগত অধিৱেশনৰ পৰা অসম চৰকাৰে 'অসম বিধানসভালৈ প্ৰদৰ্শনমূলক ভ্ৰমণ' নামেৰে এক নতুন কাৰ্যসূচী আৰম্ভ কৰিছে। ৰাজ্যখনৰ বিভিন্ন

জিলাৰ বিভিন্ন বিদ্যালয়/মহাবিদ্যালয়ৰ এচাম ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলৰ তত্বাৱধানত অধিৱেশন চলাৰ সময়ত অসম বিধানসভা ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ত তেওঁলোকে বৃহত্তৰ গুৱাহাটী আৰু ইয়াৰ চৌপাশৰ কিছু গুৰুত্বপূৰ্ণ স্থানো দৰ্শন কৰাৰ সুযোগ লাভ কৰিব।

**ৰাজহ সংস্কাৰ বিভাগ ঃ** কৃষি ভূমিক কৃষি বহিৰ্ভূত কাৰ্যত ব্যৱহাৰৰ অভিপ্ৰায়েৰে ইয়াৰ পুনৰ শ্ৰেণীবিন্যাস আৰু হস্তান্তৰকৰণক নিয়ন্ত্ৰণৰ বাবে আমাৰ চৰকাৰে অসম কৃষিজাত ভূমি (কৃষি বৰ্হিভূত উদ্দেশ্যৰ বাবে পুনৰ শ্ৰেণীবিন্যাস আৰু হস্তান্তৰকৰণ নিয়ন্ত্ৰণ) আইন, ২০১৫ প্ৰণয়ন কৰিছে। ৰাজহ প্ৰশাসনত নাগৰিকৰ ফলপ্ৰসু অংশগ্ৰহণৰ বাবে আমাৰ চৰকাৰে গ্ৰাম্য ভূমি পৰিচালনা আৰু সংৰক্ষণ সমিতি (VLMCC) গঠন কৰিছে।

২৮-৮-২০১৫ তাৰিখৰ চৰকাৰী অধিসূচনা নং আৰ এছ এছ ২৯৩/২০১৪/১৭ অনুসৰি আমাৰ চৰকাৰে ধেমাজী, যোৰহাট, ডিব্ৰুগড়, কামৰূপ, কামৰূপ (মহানগৰ), নলবাৰী, বৰপেটা আৰু গোৱালপাৰা জিলাৰ ১৯৯ খন সামৰি নোলোৱা গাঁৱক বিস্তাৰিত ক্ষেত্ৰ জৰীপৰ বাবেও কাম হাতত লৈছে।

অসমৰ ৮ খন জিলা ক্ৰমে গোৱালপাৰা, ধুবুৰী, কাছাৰ, কোকৰাঝাৰ, কৰিমগঞ্জ, হাইলাকান্দি, বঙাইগাঁও আৰু চিৰাঙত গাওঁবুঢ়া পদ্ধতি প্ৰৱৰ্তনৰ বাবে আমাৰ চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ০৫/০১/২০১৫ তাৰিখে অধিসূচনা নং আৰ এল আৰ ১৬৪/২০০৯/২৫৬ জাৰি কৰিছে আৰু নিয়োগ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

তথ্য জমা ৰখা আৰু প্ৰয়োজনসাপেক্ষে জনোৱা ব্যৱস্থাটো উন্নত কৰি তোলাৰ বাবে আমাৰ চৰকাৰে অন্‌লাইন ব্যৱস্থাপনা তথ্য পদ্ধতি (online Management Intermation System) প্ৰৱৰ্তন কৰিছে।

**সমাজ কল্যাণ বিভাগ ঃ** সমাজৰ মহিলা, শিশু, শাৰিকীকভাৱে অক্ষম ব্যক্তি, জ্যেষ্ঠ নাগৰিক আৰু ৰুগীয়া লোকসকলৰ সৰ্বাংগীন উন্নয়নৰ অৰ্থে কাম কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কাৰণ এইবোৰ শ্ৰেণীৰ লোকৰ বিকাশ আৰু উন্নয়নৰ বাবে বিশেষ যত্ন আৰু হস্তক্ষেপৰ প্ৰয়োজন আছে। বিগত বছৰবোৰত ৰাজ্যখনৰ এই শ্ৰেণীৰ লোকসকলৰ জীৱন ধাৰণৰ মান শক্তিশালী কৰিবলৈ সমাজ কল্যাণ বিভাগে বহুতো আঁচনি হাতত লৈছে।

সমাজ কল্যাণ বিভাগে শিশুসকলৰ বাবে সংহত শিশু উন্নয়ন সেৱা, বিদ্যালয়লৈ যোৱাৰ আগতে শিশুসকলৰ বাবে মনোগ্ৰাহী শিক্ষা, সংহত শিশু সুৰক্ষা আঁচনি, শিশুৰ অধিকাৰ সুৰক্ষা, বাল ভৱন, “বেটী বাচাও বেটি পঢ়াও” আদিৰ লেখীয়া বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে।

“বেটী বাচাও বেটি পঢ়াও” আঁচনিখন অগ্ৰাধিকাৰ ভিত্তিত ২০১৫ চনৰ ২৪ জানুৱাৰীত সোণাপুৰত প্ৰৱৰ্তন কৰা হৈছিল আৰু কন্যা শিশুৰ শিক্ষা, যত্ন সুৰক্ষা বাবে লোকসকলৰ মাজত সজাগত সৃষ্টি কৰাৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ সন্মতি সাপেক্ষে প্ৰথম পৰ্যায়ত অতিৰিক্ত ১০ খন জিলালৈ ইয়াক সম্প্ৰসাৰিত কৰিবলৈ প্ৰস্তাৱ লৈছে।

ৰাজ্যখনৰ জ্যেষ্ঠ নাগৰিকসকলৰ কল্যাণৰ অৰ্থে সমাজ কল্যাণ বিভাগে বয়োজ্যেষ্ঠসকলৰ বাবে স্বাস্থ্য সেৱা, বৃদ্ধাৱাস স্থাপন, পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিক ব্যৱস্থাপনা আৰু কল্যাণ আইন, ২০০৭-ৰ ৰূপায়ণৰ কাম কৰি আছে।

নতুন পদক্ষেপ হিচাপে সমাজ কল্যাণ বিভাগত আমাৰ চৰকাৰে ই-ক্ৰয় ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে। বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি অহাত তথা চৰকাৰী মহাবিদ্যালয় সমূহত চিকিৎসা আৰু অভিযন্তাৰ লেখীয়া বৃত্তিমুখী পাঠ্যক্ৰমত অধ্যয়ন কৰিবলৈ উৎসাহিত কৰা আৰু সহায় আগবঢ়োৱাৰ বাবে আমি প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ প্ৰতিমাহে ৩০০০ টকাৰ এক জলপানি প্ৰদান কৰিবলৈ ব্যৱস্থা কৰিছো। ছাত্ৰ-ছাত্ৰীৰ ডাটাবেছ প্ৰস্তুত কৰা হৈছে আৰু পুঁজি মঞ্জুৰ কৰা হৈছে।

ৰাজ্যখনত বসবাস কৰা অনুসূচিত জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ লেখীয়া বিভিন্ন সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা সম্প্ৰদায়ৰ সবলীকৰণ আৰু সৰ্বাংগীন উন্নয়নৰ বাবে আমাৰ চৰকাৰে অহৰহ উপযুক্ত আঁচনি, নীতি তথা বিশেষ উন্নয়নমূলক পেকেজ গ্ৰহণ কৰিছে।

অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীটোৰ মাজত শিক্ষাৰ উন্নয়নৰ বাবে ২০১৫-১৬ বৰ্ষত মুঠ ৮৬৩০৮ গৰাকী (অনুসূচিত জাতিৰ ৫৯৩৫২, অনুসীচিত জাতিৰ ১৫.১৯২ আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ১১,৭৬৪ গৰাকী ছাত্ৰ-ছাত্ৰী) ছাত্ৰ-ছাত্ৰীক প্ৰাক-প্ৰৱেশিকা জলপানি আৰু ১২২৪০৮ গৰাকী ছাত্ৰ-ছাত্ৰী (অনুসূচিত জাতিৰ ১১৬৩৫ গৰাকী, অনুসূচিত জনজাতিৰ ৬৫৬৫৬ গৰাকী আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ৪৫১১৭ গৰাকী)ক প্ৰবেশিকোত্তৰ জলপানি প্ৰদান কৰা হৈছে।

২০১৬-১৭ বৰ্ষত মুঠ ১৭৫৮২৬ গৰাকী ছাত্ৰ-ছাত্ৰী (অনুসূচিত জাতিৰ ১২১৮১৫ গৰাকী, অনুসূচিত জনজাতিৰ ২০৬১১ গৰাকী আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ৩৩৪০০ গৰাকী) ক লৈ প্ৰাক-প্ৰবেশিক্ষা জলপানি প্ৰদান কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। একেদৰে ১৩১৯৯৭ গৰাকী ছাত্ৰ-ছাত্ৰী (অনুসূচত জাতিৰ ৩১১৪৫ গৰাকী, অনুসূচিত জনজাতিৰ ৯৩৩৫০ গৰাকী আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ৭৫০২ গৰাকী) ক প্ৰবেশিকোত্তৰ জলপানি প্ৰদান কৰা হ'ব।

২০১৬-১৭ বৰ্ষত দাৰিদ্ৰ সীমাৰেখাৰ তলত (BPL) বসবাস কৰা ৮২০১২ টা অনুসূচিত জাতিৰ পৰিয়াল আৰু ২০,০০০ টা অনুসূচিত জনজাতিৰ পৰিয়ালক উপাৰ্জন সৃষ্টি আঁচনিৰ জৰিয়তে স্ব-নিয়োজনৰ বাবে তেওঁলোকক বিত্তীয় সাহায্য প্ৰদানেৰে সাহায্য আগবঢ়াবলৈ চৰকাৰে প্ৰস্তাৱ লৈছে।

২০১৬-১৭ বৰ্ষত স্বায়ত্ত শাসিত পৰিষদৰ উন্নয়ন মূলক কাম-কাজৰ বাবে ৩৩২৩৭.৮৮ লাখ টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

২০১৬-১৭ বৰ্ষৰ বাবে ৩৩ খন উন্নয়ন পৰিষদৰ জৰিয়তে আৰ্থ-সামাজিক উন্নয়নৰ বাবে ৮২৫.০০ লাখ টকা আবন্টন দিয়া হৈছে।

ৰাজ্যখনৰ অনুসূচিত জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু অন্যান্য সকলো পিছপৰা আৰু বঞ্চিত শ্ৰেণী তথা সম্প্ৰদায়ৰ আৰ্থ-সামাজিক উন্নয়নৰ অৰ্থে প্ৰশিক্ষণ আৰু

মানসম্পন্ন গৱেষণাৰ কাম-কাজৰ বাবে অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান (Assam Institute of Research for Tribal & SC) টোৱে শৈক্ষিক প্ৰশিক্ষণ প্ৰদান, সামৰ্থ বৃদ্ধি, গৱেষণা কাৰ্যসূচী, আলোচনা চক্ৰ, কৰ্মশালা আদিৰ বাবে ২০১৫-১৬ বৰ্ষত কেন্দ্ৰীয় অনুদানকে ধৰি ১৫.৩৪ লাখ টকা ব্যৱহাৰ কৰিছে। এই উদ্দেশ্যে ২০১৬-১৭ বৰ্ষৰ বাবে ৭০.০০ লাখ টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

তদুপৰি গাৰো সম্প্ৰদায়ৰ উন্নয়নৰ বাবে গাৰো স্বায়ত্ত শাসিত পৰিষদ আৰু বি টি চি-ৰ বাহিৰত বসবাস কৰা বড়ো কছাৰী লোকসকলৰ উন্নয়নৰ বাবে বড়ো কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ প্ৰস্তাৱ লোৱা হৈছে।

**পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগ ঃ** অসমৰ পাৰ্বত্য জিলা কেইখনৰ সৰ্বাঙ্গীন আৰ্থ-সামাজিক বিকাশ আৰু বহনক্ষম উন্নয়নৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

কাৰ্বি আংলং জিলাৰ ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ নিৰ্মাণকাৰ্য চলি আছে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগোৰী প্ৰবেশ পথত পৰ্যটন আৱাসৰ উন্নয়ন সম্পূৰ্ণ হৈছে আৰু ২০১৬ বৰ্ষত ৪ টা জলসিঞ্চন প্ৰকল্প, অপৰিশোধেয় কেন্দ্ৰীয় উৎসৰ পুঁজিৰ অধীনত ৫ খন পকী দলং, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ২ খন পকী দলং, প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা (PMGSY) ৰ অধীনত ৪ খন পকী দলঙৰ কাম সম্পূৰ্ণ হৈছে। তদুপৰি অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম (AHSIDC) পৰিসীমিতৰ অধীনত মানজাত পেকেজত খোৱাপানী প্ৰকল্প আৰু মচলা কেকেজিং প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে। পশ্চিম কাৰ্বি আংলং জিলা গঠনৰ লগে লগে জিলা সদৰ হামৰেনত ৫০ খন বিচনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয়খনক ২০০ খন বিচনাযুক্ত ব্যৱস্থাসহ ১০০ খন বিচনাযুক্ত জিলা চিকিৎসাললৈ উন্নীত কৰা হৈছে।

ডিমা হাচাও জিলাৰ হাফলঙত ১০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয় কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণসহ ২০০ খন বিচনাযুক্ত চিকিৎসাললৈ উন্নীতকৰণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ বাবে আৰু যুৱক-যুৱতীসকলক তেওঁলোকৰ নিজা প্ৰকল্পত সহায়ক হোৱাকৈ বিশেষকৈ পৰ্যটন, উদ্যোগ, বন, কৃষি আৰু উদ্যান শস্য, হস্ততাঁত আৰু বস্ত্ৰ, ৰেচম, পশু পালন আৰু পশু চিকিৎসা, মীন, সমাজ কল্যাণ খণ্ডত নিয়োগমুখী সা-সুবিধা সৃষ্টি কৰাৰ বাবে এন চি এইচ এ চি-য়ে বিভিন্ন পদক্ষেপ হাতত লৈছে।

**শক্তি বিভাগ ঃ** ৰাজ্যখনৰ প্ৰতিখনত গাওঁতে বিদ্যুত সংযোগৰ ব্যৱস্থা কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। শক্তি বিভাগে দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (DDUGJY) নামৰ ধ্বজ্জাবাহী আঁচনিখনৰ উপৰিও কিছুসংখ্যক পদক্ষেপ হাতত লৈছে।

নতুন আৰু নবীকৰণযোগ্য শক্তি খণ্ডৰ অধীনত পৰ্যটন আৰু বুৰঞ্জীপ্ৰসিদ্ধ ঐতিহ্যৰ গুৰুত্ব বিবেচনা কৰি বিভিন্ন স্থানত এছ পি ভি প্লান্ট আৰু ষ্ট্ৰীৰ্ট লাইট প্ৰকল্পৰ কাম আৰম্ভ কৰিছে । এ পি ডি চি এল-এ গোলাঘাট জিলাৰ অসম নাগালেণ্ড সীমান্তত সৌৰ ষ্ট্ৰীট লাইট প্ৰদানৰ কাম আৰম্ভ কৰিছে। অশমৰ বিভিন্ন স্থানত স্মাৰ্ট ষ্ট্ৰীট লাইটিং প্ৰকল্পৰ অধীনত ষ্টেণ্ডালোন এল ই ডি ভিত্তিক সৌৰ ষ্ট্ৰীট

লাইটিং ব্যৱস্থাৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে। এম এন আৰ ই আৰু বাৰ্ষিক পৰিকল্পনাৰ পৰা পোৱা বিত্তীয় সাহায্যৰে এ পি ডি চি এল-য়ে ১১১১ খন দুৰনিবতীয়া বিদ্যুৎ সংযোগ নথকা গাঁৱত ৭৩০০০ টা ষ্টেণ্ডালোন এছ পি ডি গৃহ লাইটিং স্থাপন কৰিছে। গুৱাহাটীৰ হস্তিনাপুৰত থকা অসম আৰক্ষী বেতাঁৰ সংস্থ (APRO) ৰ মাৰিআংকা হিল টপ ৰিপাৰ ষ্টেচনত এটা অফ-গ্ৰিড ১০ কিলোৱাট সৌৰ শক্তি প্ৰকল্পৰ কামো এ পি ডি চি এল-য়ে আৰম্ভ কৰিছে।

এ ই জি চি এল-য়ে অলপতে এ ডি বি, জি অ আই, জি অ' এ আদিৰ লেখীয়া বিভিন্ন উৎসৰ পুঁজিৰ অধীনত ১০৭২.১০ চি.কি.মি. সংবহন লাইন আৰু ১৩২ কেভি-ৰ ১৫১৬-ৰ গ্ৰিড উপ কেন্দ্ৰ আৰু ভোল্টেজ শ্ৰেণীৰ ওপৰৰ কাম আৰম্ভ কৰিছে। ইয়াৰ ভিতৰৰ ৪৩৪.৩০C কি.মি. সংবহন লাইনৰ কাম আৰু ১১৪১ এম ডি এ-ৰ স্থাপন/কাম-কাজ সম্পূৰ্ণ হৈছে। বৰ্ত্তমানে অসম গ্ৰিড নেটৱৰ্কৰ শক্তি যোগান ধৰাৰ ক্ষমতা হ'ল প্ৰায় ১৬১৭ মেগাৱাট আৰু আশা কৰা হৈছে যে ১০৭২.১০ চি.কি.মি. সংবহন লাইন আৰু অতিৰিক্ত ১৫১৬ এম ডি এ-ৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত শক্তি যোগান ধৰাৰ ক্ষমতা ১৯৫০ মেগাৱাটলৈ বৃদ্ধি হ'ব।

ইয়াতে এইটোও উল্লেখ কৰিব পাৰি যে নামৰূপ তাপ বিদ্যুত কেন্দ্ৰত ১০০ মেগগাৱাট শক্তিসম্পন্ন গেছ ভিত্তিক সংযুক্ত চাইকল শক্তি প্ৰকল্পৰ (100 mw gas-based comp combined cycle power project)ৰ কাম চলি আছে।

**শ্ৰম আৰু কল্যাণ বিভাগ ঃ** শ্ৰমিকসকলৰ মৰ্যদা আৰু সামাজিক সুৰক্ষা সুনিশ্চিত কৰাৰ অৰ্থে বহুমুখী দক্ষতা প্ৰশিক্ষণ প্ৰদানৰ দ্বাৰা শ্ৰমিকসকলৰ কল্যাণ আৰু তেওঁলোকৰ সৰ্বাঙ্গীন উন্নয়নৰ প্ৰতি আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

বইলাৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু কাৰখানা পৰিদৰ্শকৰ কাৰ্যালয়ত কাম কাজৰ স্বচ্ছতা অনাৰ অৰ্থে এক বৃহৎ পদক্ষেপ লোৱা হৈছে। এই বিত্তীয় বৰ্ষত ৱেবচাইট প্ৰস্তুত কৰা হৈছে। ইজ অৱ ডুইং বিজনেছৰ সুবিধা প্ৰদানৰ অৰ্থে অসম কাৰখানা নিয়মাৱলীৰ নিৰ্দিষ্ট সংশোধনীৰ কাম আৰম্ভ কৰা হৈছে।

আমিনগাঁৱত এখন ই এছ আই আদৰ্শ চিকিৎসালয় (৫০ খন বিচনাযুক্ত) স্থাপন কৰিবলৈ পদক্ষেপ লোৱা হৈছে। ৯.৫ লাখৰো অধিক (স্থায়ী বা অস্থায়ী উভয়তে) কৰ্মচাৰীলৈ সামাজিক সুৰক্ষা প্ৰদানৰ অৰ্থে বৰ্ত্তমানে মুঠ ১০৪০ খন চাহ বাগিছা অসম চাহ কৰ্মচাৰী ভবিষ্যনিধি পুঁজি (ATEPF) ৰ অধীনত পঞ্জীয়নভূক্ত কৰা হৈছে। সম্প্ৰতি এই সংস্থাৰ অধীনত ৩ (তিনি) খন আঁচনি যেনে ভবিষ্যনিধি পুঁজি আঁচনি আৰু জমা সংযোগী বীমা আঁচনি -এই কেইখন চলি আছে।

এ টি ই পি এফ-য়ে অলপতে জমা সংযোগী বীমা আঁচনিৰ অধীনত লাভালাভ ৪০,০০০ টকাৰ পৰা ১,০০,০০০ লৈ বৃদ্ধি কৰিছে আৰু ন্যূনতম পেঞ্চন প্ৰতিমাহে ৫০০ টকা নিৰ্ধাৰন কৰা হৈছে আৰু এই পৰিমান ১০০০ টকালৈ বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। এই সংস্থাটোৱে নিষ্পত্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজন হোৱা সময় হ্ৰাস কৰাৰ বাবে চেষ্টা চলাই আছে। ভবিষ্যনিধিৰ নিষ্পত্তিকৰণৰ কামৰ বাবে অনলাইন প্ৰক্ৰিয়া ব্যৱস্থাৰ কামো সম্পূৰ্ণ কৰা হৈছে।

**নগৰ উন্নয়ন বিভাগ ঃ** স্বচ্ছ ভাৰত অভিযান (নগৰীয়া), অসমৰ অধীনত নগৰীয়া অনাময় ব্যৱস্থাৰ দৃশ্যপট উন্নীতকৰণৰ অৰ্থে ২০১৭-১৮ বিত্তীয় বৰ্ষত অসমৰ সমগ্ৰ ৯৭ খন নগৰীয়া স্থানীয় নিকায়কে মুকলি স্থানত মলত্যাগ যুক্ত (DDF) হিচাপে ঘোষণা কৰা হ'ব। ইয়াৰ বাবে ৬৬৬২৪ ব্যক্তিগত পৰিয়ালৰ শৌচাগাৰ আৰু ২২৮০ টা সমূহীয়া আৰু ৰাজহুৱা শৌচাগাৰ নিৰ্মাণ কৰা হ'ব। স্বচ্ছ ভাৰত অভিযানৰ (নগৰীয়া) পৌৰ এলেকাৰ গোটা আবৰ্জনা ব্যৱস্থাপনাৰ অধীনত সমগ্ৰ ৯৭ খন নগৰীয়া স্থানীয় নিকায়তে এশ শতাংশই ঘৰে ঘৰে গৈ আবৰ্জনা সংগ্ৰহ কৰা হ'ব। স্বাস্থ্য সন্মত অনাময় অভ্যাস আৰু উৎসাত গোটা আবৰ্জনাত পৃথকীকৰণ সন্দৰ্ভত অভ্যাসৰ পৰিবৰ্তন সাধনৰ বাবে ব্যাপক সজাগতা অভিযান হাতত লোৱা হৈছে।

দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানক ৰাজ্য চৰকাৰে পৰ্যাপ্তভাৱে সমৰ্থন আগবঢ়াব। এই বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকাৰ অভিযান (NULM) ৰ অধীনৰ দক্ষতা উন্নয়ন শাখাৰ অধীনত ৫০০০০ গৰাকী নগৰীয়া দুখীয়া যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। তদুপৰি আৱৰ্ত্ত পুঁজি (RF) প্ৰদানৰ জৰিয়তে এই বিত্তীয় বৰ্ষতে অসমৰ ১৫ খন প্ৰধান নগৰ/মহানগৰত মহানগৰ জীৱিকা কেন্দ্ৰ (CLC) স্থাপন কৰিবলৈ ৩০০০ টা মহিলা আত্ম-সহায়ক গোটক মূলধন প্ৰদান কৰা হ'ব। ৰাজ্যখনৰ সকলো জিলা সদৰত পদ পথৰ ব্যৱসায়ীসকলৰ জৰীপৰ কাম হাতত লবলৈ প্ৰস্তাৱ লোৱা হৈছে।

**কৰ্মচাৰী বিভাগ ঃ** আমাৰ চৰকাৰে ৰাজহুৱা প্ৰশাসনত উৎকৰ্ষ সাধন কৰিবলৈ আৰু অসামৰিক সেৱাত যোগ্য প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছে। ২০১৬ বৰ্ষত অসম লোক সেৱা আয়োগৰ অনুমোদন মৰ্মে অসম অসামৰিক সেৱাৰ ৮৭ গৰাকী বিষয়াক নিযুক্তি দিয়া হৈছে। প্ৰশাসনিক বিভাগসমূহৰ অধীনত থকা সকলো কাৰ্যালয়ৰ ক্ষেত্ৰত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাতকাৰৰ ব্যৱস্থা বাতিল কৰিবলৈ আৰু প্ৰয়োজন অনুসৰি নিজ নিজ সেৱা বিধিৰ প্ৰয়োজনীয় সংশোধন ঘটাবলৈ সকলো প্ৰশাসনিক বিভাগকে নিৰ্দেশ জাৰি কৰা হৈছে।

অসম লোক সেৱা আয়োগৰ ভাবমূৰ্ত্তি অক্ষুন্ন ৰাখিবলৈ এই ব্যৱস্থাটোৰ ওপৰত জনসাধাৰণৰ বিশ্বাস ঘুৰাই আনিবলৈ অসম লোকসেৱা আয়োগৰ কৰ্মচাৰীৰ নিয়োগ আৰু অধ্যক্ষ তথা সদস্যসকলৰ নিযুক্তিৰ ব্যৱস্থা উন্নত কৰাৰ বাবে আমি পদক্ষেপ লৈছো।

**মাধ্যমিক শিক্ষা ঃ**

অসমৰ মাধ্যমিক শিক্ষাৰ মানদণ্ডৰ সৰ্বাংগীন উন্নয়নৰ বাবে ২০১৬-১৭ বৰ্ষৰ বাজেট ঘোষণাত কিছুসংখ্যক নতুন আঁচনি/কাৰ্যসুচী প্ৰৱৰ্ত্তন কৰা হেতুকে ২০১৬-১৭ বৰ্ষটো এটা উল্লেখযোগ্য বছৰ হিচাপে বিবেচিত হৈছে।

প্ৰতিভসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পথ প্ৰদৰ্শকৰ সহায় আগবঢ়োৱাৰ অৰ্থে নতুন চৰকাৰে চলিত বৰ্ষত "আৰোহন"(AAROHAN ) নামৰ এখন নতুন আঁচনি প্ৰৱৰ্ত্তন কৰিছে।

অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ আৰু আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিবলৈ চলিত বৰ্ষত অসমৰ প্ৰাদেশীকৃত/চৰকাৰী উচ্চতৰ

মাধ্যমিক বিদ্যালয় তথা কনিষ্ঠ মহাবিদ্যালয়সমূহত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা নামভৰ্ত্তি মাচুল, পাঠদান মাচুল আৰু অন্যান্য মাচুলকে ধৰি মাচুল ৰেহাইৰ এক আঁচনি মাধ্যমিক শিক্ষা বিভাগে আৰম্ভ কৰিছে।

অহা শৈক্ষিক বৰ্ষৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰিব লৈও আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। এই আঁচনিখনে চৰকাৰী/প্ৰাদেশীকৃত সকলো উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়, চাহ বাগিছা/স্থানীয় নিকায়ৰ অধীনৰ সকলো আদৰ্শ বিদ্যালয়,ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, অসমৰ অধীনৰ সকলো আদৰ্শ বিদ্যালয় আৰু কোনো এসময়ত বিত্তীয় উদগণি লাভ কৰা সকলো অপ্ৰাদেশীকৃত বিদ্যালয়কে সামৰি ল'ব। এই আঁচনিখন পৰৱতী বৰ্ষটো অব্যাহত থাকিব।নৱমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত বিনামূলীয়া পাঠ্যপুটি বিতৰণৰ বিষয়েও বিবেচনা কৰি থকা হৈছে।

পূৰ্বৰ বছৰসমূহৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতাৰ স্তৰ উন্নীত কৰাৰ বাবে হাইস্কুল শিক্ষান্ত/হাইমাদ্ৰাছা পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰাসকলক 'আনন্দৰাম বৰুৱা নগদ তথা লেপটপ বঁটা' ৰ অধীনত বিনামূলীয়া লেপটপ প্ৰদাণ কৰা হ'ব। চলিত বৰ্ষত ইয়াৰ অধীনত ৫৬,৯০০ গৰাকী হিতাধিকাৰীৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত ৬২৫ গৰাকী স্থায়ী অধ্যক্ষ নিযুক্তিৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিভিন্ন বিষয়ৰ মুঠ ১৪৬ গৰাকী টেট উত্তীৰ্ণ স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হৈছে।

মুঠ ১২৫ খন মাধ্যমিক বিদ্যালয় আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, অসমৰ অধীনৰ আদৰ্শ বিদ্যালয়ত স্মাৰ্ট শ্ৰেণীকোঠা প্ৰৱৰ্তন কৰা হৈছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান অসমৰ অধীনত শৈক্ষিকভাৱে অনগ্ৰসৰ খণ্ডসমূহত মুঠ ১৭ টা ১০০ খন বিচনাযুক্ত ছাত্ৰী নিবাস সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ আছে। আন ৭ টা ছাত্ৰী নিবাস অনতিপলমে সাজু হৈ উঠাৰ আশা কৰা হৈছে।

প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ ঃ সকলো চৰকাৰী কৰ্মচাৰীৰ সক্ষমতা বৃদ্ধিৰ ওপৰত আমাৰ চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। অসম সচিবালয়ৰ কৰ্মচাৰীসকলৰ বাবে অসম প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগে প্ৰশিক্ষণৰ হাতপুথি প্ৰস্তুত কৰিছে।

অসম অসামৰিক সেৱাৰ বিষয়াসকলৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা বিশ্লেষণ (TNA) সম্পূৰ্ণ হৈছে আৰু ইয়াক প্ৰকাশ কৰা হৈছে। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ক প্ৰশিক্ষণৰ বাবে পৰ্যাপ্ত আন্তঃগাথনিসহ ৰাষ্ট্ৰীয় / আন্তঃৰাষ্ট্ৰীয়মানৰ এক প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে 'অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ৰ উন্নয়ন আৰু আধুনিকীকৰণ' নামেৰে এক নতুন প্ৰকল্প হাতত লোৱা হৈছে যাৰ অধীনত আধুনিকীকৰণৰ কাম-কাজ চলাই থকা হৈছে।

আই এ এছ একাডেমী, মুচৌৰিৰ আৰ্হিত উমৰাংচুত এক প্ৰশিক্ষণ একাডেমী স্থাপন কৰিবৰ বাবেও আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প্ৰশিক্ষণ একাডেমী স্থাপনৰ বাবে উমৰাংচুৰ ল'বাঙত এহেজাৰ বিঘা ভূমি চিনাক্ত কৰা হৈছে। ২০১৭-২০১৮ বৰ্ষত এই প্ৰকল্পৰ বাবে ২০০ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে।

সংখ্যালঘু বিভাগ ঃ ভাষিক সংখ্যালঘু আৰু চৰ অঞ্চলত বাস কৰা লোকসকলকে ধৰি জাননীকৃত অনগ্ৰসৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়সমূহৰ কল্যাণৰ বাবেও আমাৰ চৰকাৰে কাম কৰি আহিছে। বৃত্তিজীৱি গোটসমূহ আৰু মহিলাসকলৰ স্ব-নিয়োজনৰ প্ৰসাৰ তথা কল্যাণ সাধনৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে।

সংখ্যালঘুসকলৰ কল্যাণ আৰু উন্নয়ন বিভাগৰ অধীনত অসম, চিকিম, ত্ৰিপুৰাৰ বাদে উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহৰ হজ তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ বাবে উত্তৰ জালুকবাৰীত হজ ভৱন নিৰ্মাণৰ দৰে আন্তঃগাথনি গুঅ্‌ ?ৰ ইধশথ ইখছউ উল্লেখনীয় সফলতা লাভ কৰা গৈছে। দক্ষতা, বিকাশ আৰু নিয়োগ সৃষ্টিৰ বাবে বিভাগটোৱে প্ৰায় ৪১৩ গৰাকী হিতাধিকাৰীকসামৰি ২০১৫-১৬ বৰ্ষত জি এন এস, এ এন এম, বৈমানিক আতিথ্য, ডি ফাৰ্ম, ডি এম এল টি, ফিজিঅ’ থেৰাপীৰ ডিপ্ল’মা আৰু স্নাতক, বিএছ চি নাৰ্ছিং আদিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ পৃষ্ঠপোষকতা কৰিছে। স্ব-নিয়োজনৰ বাবে বিভাগটোৱে ২৮৩৩ গৰাকী হিতাধিকাৰীক পাৱাৰ টিলাৰ, টাটা চুম’ আৰু ট্ৰেক্টৰ ৰাজসাহায্যৰ সৈতে প্ৰদাম কৰিছে আৰু চিলাই মেচিন, হুলাৰ মিল আদিও প্ৰদান কৰিছে।

হস্ততাঁত আৰু বস্ত্ৰ বিভাগ ঃ আমাৰ চৰকাৰে উপলব্ধি কৰে যে হস্ততাঁত হৈছে আমাৰ ৰাজ্যখনৰ পুৰুষানুক্ৰমিক ঐতিহ্যৰ এক মূল্যৱান অংগ আৰু সমৃদ্ধতাৰ পৰিচায়ক যাক বয়নশিল্পৰ সু-প্ৰাচীন পৰম্পৰাৰ লগত জড়িত দক্ষ শিপিনীসকলে আজিও জীয়াই ৰাখিছে। অসমৰ শিপিনীসকলে ৰূপকথা, বিশ্বাস, প্ৰতীকচিহ্ন আৰু কল্পনাৰ নিপুন সংমিশ্ৰণেৰে উৎপাদিত বস্ত্ৰক এক আকৰ্ষণীয় মাত্ৰা প্ৰদান কৰে। হস্ততাঁত খণ্ডই ২৫ লাখৰো অধিক শিপিনী আৰু সহযোগী কৰ্মীক নিয়োজন প্ৰদান কৰে আৰু নিয়োগৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত কৃষিৰ পিছতেই ই দ্বিতীয় স্থানত আছে। হস্ততাঁত হৈছে অসমৰ সাংস্কৃতিক ঐতিহ্য আৰু সেয়েহে এই খণ্ডটোৰ সুৰক্ষা আৰু প্ৰসাৰৰ হকে কাম কৰাটো অতিকৈ জৰুৰী।

আমাৰ চৰকাৰে হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ জৰিয়তে ৰাজ্যিক খণ্ডৰ আঁচনি আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত আঁচনি উভয়েৰে অধীনত বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে।

মানসন্মত সুঁতা সুলভ মূল্যত নিয়মীয়াকৈ উপলব্ধ কৰাৰ বাবে সুঁতা বেংক স্থাপন আঁচনিৰ অধীনত ৪৬৯ লাখ টকাৰ প্ৰক্কলিত ব্যয়েৰে বাকী থকা জিলাকেইখনতো অন্য নটা সূতাঁ বেংক স্থাপন কৰা হ’ব।

অশিক্ষিত নিবনুৱা মহিলালৈ প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন আঁচনিৰ অধীনত বিভাগীয় হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ জৰিয়তে বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হ’ব। ২০১৬-১৭ বিত্তীয় বৰ্ষত ২০ লাখ টকা ব্যয়েৰে ৭৫ টা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে ১১২৫ গৰাকী অশিক্ষিত মহিলাক প্ৰশিক্ষণ আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

চলিত বিত্তীয় বৰ্ষত হস্ততাঁত আৰু বস্ত্ৰ খণ্ডৰ উন্নয়নৰ বাবে ১২০ লাখ টকা বাজেটৰ ব্যৱস্থা ৰখা হৈছে।

ৰেচম বিভাগ ঃ অসমে আজি পাটসুঁতা উৎপাদনত দেশৰ ভিতৰতে তৃতীয় স্থান অধিকাৰ কৰিছে। আমাৰ চৰকাৰে এই খণ্ডটোৰ অধিক উন্নয়নৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। এই কথা

আমি সকলোৱে জানো যে অসম হৈছে মুগা, এৰী, নুনী আৰু অ'ক টাছাৰ পাট পলু পালনৰ বাবে প্ৰকৃতি প্ৰদত্ত্ব ঘৰ সদৃশ। ভাৰতত উৎপাদিত মুগা পাটৰ ৯৭% উৎপাদনেৰে 'সোণালী সূঁতা' মুগা উৎপাদনত অসমে একক আধিপত্য বজাই ৰাখিবলৈ সক্ষম হৈছে আৰু মুগা সূঁতাৰ বাবে 'ভৌগোলিক সূচক' স্বত্ব লাভ কৰিছে। আমাৰ ৰাজ্যখন এৰী পাটৰো এক প্ৰধান উৎপাদক আৰু ই ৰাষ্ট্ৰীয় উপাদনৰ ৬৫% এৰীসূতা উৎপাদন কৰে।

পাট আৰু অসমত পাট উৎপাদন সম্বন্ধীয় সকলো কাৰ্যকলাপ সামৰি 'অসম চিল্ক আউটৰিচ্‌ড মিছন- চেনেহজৰী' নামৰ এক ৰাজ্যিক অভিযানৰ সূচনাৰে ৰেচম বিভাগে ৰেচমক অসংগঠিত ঘৰুৱা কাৰ্যকলাপৰ পৰা এক সংগঠিত আৰু বাণিজ্যিকভাৱে লাভদায়ক উদ্যোগলৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যে কাম কৰি আছে।

২০১৬-১৭ বৰ্ষৰ বাবে আমি ৩২৩৫.২৫ লাখ টকাৰ বাজেটৰ ব্যৱস্থা ৰাখিছো যাৰে (i) ৩০০ লাখ টকা ৰাজ্যিক পৰিকল্পনাৰ অধীনত, (ii) ১০০৫.২৫ লাখ টকা বিশেষ পৰিকল্পনা আবন্টনৰ অধীনত, (iii) ১৪৩০ লাখ টকা আৰ আই ডি এফ (নাবাৰ্ড) আৰু (iv) ৫০০ লাখ টকা উত্তৰ-পূব পৰিষদৰ অধীনত।

সূঁতা বেংক সমিতি, শুৱালকুছিৰ জৰিয়তে আৰু শুৱালকুছিস্থিত চৰকাৰী মুগা ভি জি আৰ-ত ৰীলিং আৰু স্পিনিং মেচিন স্থাপনৰ দ্বাৰা শুৱালকুছিৰ বোৱনী আৰু চিল্ক ছচাইটিসমূহক ৰাজসাহায্যপ্ৰাপ্ত মূল্যত নুনী পাটৰ সূঁতা আৰু ন্যূনতম সমৰ্থন মূল্যত মুগা লেটা প্ৰদানৰ যোগেদি শুৱালকুছিৰ পাট উদ্যোগৰ পুনৰুজ্জীৱিতকৰণৰ বাবে ৫০ লাখ টকা বিশেষভাৱে ধাৰ্য কৰা হৈছে।

**<u>চাহ আৰু প্ৰাক্তন চাহ জনজাতি ঃ</u>** ৰাজ্যখনৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতি সম্প্ৰদায়ৰ সৰ্বাংগীন বিকাশৰ বাবেও আমাৰ চৰকাৰে কাম কৰি আছে। ৰাজ্যখনৰ চাহ বাগিচা অধ্যুষিত এলেকাসমূহত ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিৰ অধীনত কাম-কাজ চলাই থকা ৫১ টা দক্ষতা বিকাশৰ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে চাহ সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ বাবে আমি নিয়োগ সৃষ্টি আঁচনি প্ৰৱৰ্তন কৰিছো। ২০১৪-১৫ আৰু ২০১৫-১৬ বৰ্ষৰ সময়ছোৱাত ৬১২০ গৰাকীকৈ যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আৰু নিয়োগ তথা স্ব-নিয়োজনৰ সা-সুবিধা সুনিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চাহ বাগিচা এলেকাৰ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ/দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু অন্যান্য যোগ্য চাহ জনজাতিৰ পৰিয়ালসমূহক আমি নিৰাপদ আৰু স্বাস্থ্য সন্মত খোৱাপানী আৰু শৌচাগাৰ প্ৰদান কৰিছো। ইউনিচেফে (UNICEF) আগবঢ়োৱা কাৰিকৰী সহযোগীতাত সম্পূৰ্ণ অনাময় কাৰ্যসূচীও গ্ৰহণ কৰা হৈছে।

২০১৬-১৭ বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে মুখ্যমন্ত্ৰী কাপ আন্তঃবাগিচা ফুটবল টুৰ্ণামেন্ট, ফুটবল আৰু আৰ্চাৰী প্ৰশিক্ষণ কেন্দ্ৰ, কম শক্তি খৰচী এল ই ডি বাল্ব বিতৰণ, চাহ বাগিচা অঞ্চলত ৰংগমঞ্চ নিৰ্মাণ আদিৰ দৰে নতুন পদক্ষেপ হাতত লৈছে।

ভিতৰুৱা অঞ্চলত বসবাস কৰা চাহ সম্প্ৰদায়ৰ লোকসকলৰ মাজত অধ্যয়ণৰ অভ্যাস গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰে চাহ বাগিচা অঞ্চলত পুথিভঁৰালৰ সা-সুবিধাও সৃষ্টি কৰিছে।

## পৰিবহন বিভাগ

স্থায়ী উন্নয়নী লক্ষ্যৰ অংশ হিচাপে আমাৰ চৰকাৰে পথ সুৰক্ষাৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। এক পথ সুৰক্ষা প্ৰাধিকৰণ গঠনৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। ইয়াৰ দ্বাৰা আৰক্ষী, পৰিবহন বিষয়া, গড়কাপ্তানি বিভাগৰ লোক আৰু নাগৰিকসকলৰ যৌথ প্ৰচেষ্টাত দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পোৱাতো নিশ্চিত হ'ব।

পৰিবহন খণ্ডটোৰ বহুমুখী প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বজাৰ এলেকাসমূহত যোগাযোগৰ কেতবোৰ নতুন উপায় অৱলম্বন কৰা হৈছে আৰু এই ক্ষেত্ৰত অসমে যথেষ্ট আগভাগ লৈছে।

ব্যৱসায়ৰ ক্ষেত্ৰত আৰু লগতে বাটৰুৱা সকলৰ অহাযোৱাৰ ক্ষেত্ৰতো ই-ৰিক্সাৰ বিক্ৰীক অনুমতি প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰত উবেৰ আৰু ওলাৰ লেখীয়া টেক্সিচালক সকলৰ যথেষ্ট জনপ্ৰিয় হৈ পৰিছে, যিসকলে যাত্ৰীসকলৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত তেওঁলোকৰ পছন্দ অনুসৰি গাড়ী ল'বলৈ সুযোগ প্ৰদান কৰিছে।

পৰিবহন বিভাগৰ অধীনত অসম ৰাজ্যিক পৰিবহন নিগম আৰু আভ্যন্তৰীণ জল পৰিবহন বিভাগে ৰাজ্যখনৰ জনসাধাৰণলৈ উৎসৰ্গাৰ মনোভাবেৰে সেৱা আগবঢ়াই আছে।

## গুৱাহাটী উন্নয়ন বিভাগ

উত্তৰ পূব ভাৰতৰ দুৱাৰমুখ হিচাপে গুৱাহাটীৰ গুৰুত্বৰ কথা আমাৰ চৰকাৰে ভালদৰে বুজে। গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠীয় এলেকাসমূহত হাতত লোৱা বহুটো উন্নয়নমূলক প্ৰকল্পৰ ভিতৰত দক্ষিণ গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ৰোপৱে প্ৰকল্পৰ কাম আমাৰ চৰকাৰে সম্পূৰ্ণ কৰিবলৈ বিচাৰিছে। ইয়াৰ বাবে আমি ইতিমধ্যে ১৮৪৬.৮৫ লাখ টকা মঞ্জুৰ কৰিছো। এই কাম ২০১৭ চনৰ জুলাই মাহত সম্পূৰ্ণ কৰাৰ লক্ষলোৱা হৈছে। গুৱাহাটী মহানগৰৰ যান-জোটৰ সমস্যা লাঘৱ কৰাৰ অৰ্থে ৰেল ভিত্তিক দ্ৰুত জল পৰিবহন ব্যৱস্থা কেতবোৰ সাল সলনিসহ হাতত লোৱাৰ প্ৰতি পুনৰ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

স্মাৰ্ট চিটি মিছনৰ অধীনত ভাৰত চৰকাৰে গুৱাহাটীক স্মাৰ্ট চিটি সমূহৰ অন্যতম এখন চহৰ হিচাপে ইতিমধ্যে নিৰ্বাচন কৰিছে আৰু এই প্ৰকল্প ৰূপায়ণৰ বাবে 'গুৱাহাটী স্মাৰ্ট চিটি উন্নয়নী অভিকৰণ লিমিটেড' নামেৰে এক বিশেষ অভিকৰণ গঠন কৰিছে। ইয়াৰ বাবে ১৮৯ কোটি টকা মুকলি কৰি দিয়া হৈছে। আমাৰ চৰকাৰে গুৱাহাটী অপেন স্পেচেচ এণ্ড পাৰ্ক ইন্টিগ্ৰেটৰ নেটৱৰ্কৰ অধীনত গুৱাহাটীৰ ফাঁচীবজাৰ স্থিত পুৰণি কাৰাগাৰ চৌহদত এখন আন্তৰাষ্ট্ৰীয় মানৰ উদ্ভিদ উদ্যান স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত চিংগাপুৰ চৰকাৰ আৰু অসম চৰকাৰৰ মাজত এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ অৰ্থে বিষয়টো নীতি আয়োগ, ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান প্ৰতিৰোধৰ বাবে আমাৰ চৰকাৰে বহুতো প্ৰকল্পৰ কাম হাতত লৈছে। এই প্ৰকল্পসমূহ বাৰিষাৰ আগতে সম্পূৰ্ণ কৰি তোলা হ'ব। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰমে মহানগৰখনৰ জলাশয় সমূহ পৰিস্কাৰ কৰাৰ বাবে মেচিন আৰু সা-সজুলি ক্ৰম কৰিছে। জু-ৰোড, চানমাৰি, জ্যোতিনগৰ আৰু নুনমাটি এলেকাৰ বানপানী উলিয়াই পঠিওৱাৰ বাবে নুনমাটি

বেচিনত পকী নলা নির্মামৰ কাম লোৱা হৈছে আৰু এই কাম ২০১৭ চনৰ এপ্ৰিল মাহত সম্পূর্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

## ৰাজহুৱা প্রতিষ্ঠান বিভাগ

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ দক্ষ ব্যৱস্থাপনা আৰু এইবোৰৰ দ্বাৰা যথাযথ সেৱা প্ৰদান নিশ্চিত কৰাৰ বাবে আমাৰ চৰকাৰে কাম কৰি আছে আৰু ইয়াৰ বাবে এই প্ৰতিষ্ঠানসমূহৰ বিষয়া /কৰ্মচাৰী আৰু বোৰ্ড সদস্যসকলৰ বাবে ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে দক্ষতা বৃদ্ধিৰ কাৰ্য্যসমূৰ আয়োজন কৰি আহিছে।

মহিলা সবলীকৰণৰ বাবে ৰাজ্যৰ সকলোবোৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ সঞ্চালক মণ্ডলীক কমেও এগৰাকী মহিলা সঞ্চালক নিযুক্তিৰ বাবে আমি এক নীতি গ্ৰহণ কৰিছো। উৎপাদন বৃদ্ধিৰ বাবে আগৰ লোকচান নথকা আৰু বৰ্তমানে লাভ কৰি থকা ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানসমূহৰ বাবে আমি ৩ শতাংশ মুঠ লাভত প্ৰদৰ্শন ভিত্তিক উদ্‌গণিমূলক বঁটা প্ৰৱৰ্ত্তন কৰিছো।

আমাৰ চৰকাৰে ৰাজ্যখনৰ বাবে 'ৰাজহুৱা প্ৰতিষ্ঠান নীতি' নামৰ এক খচৰা যুগুত কৰাৰ কাম হাতত লৈছে যাতে ৰাজ্য চৰকাৰে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এই খচৰাখন গ্ৰহণ কৰিব পাৰে লগতে ইয়াৰ দ্বাৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিব পৰা যাব যাতে এই প্ৰতিষ্ঠানসমূহে ৰাজ্যখনৰ বিকাশৰ দিশত এক আহিলা হিচাপে কাম কৰে।

## গড়কাপ্তানি বিভাগ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাই পথ)

আমাৰ চৰকাৰে আন্তঃগাথনিগত উন্নয়নৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। কিয়নো ই হৈছে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ বাবে এক প্ৰয়োজনীয় দিশ। ৰাষ্ট্ৰীয় ঘাই পথ খণ্ডত ৬০৩.২৭ কোটি টকা ব্যয়ত ১৬৮.৯৬৪ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম চলি আছে। বগীবিলৰ ৰেল তথা পথ দলংৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰ সংযোগী পথৰ কাম চলি আছে। ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত বৃহৎ দলংসহ ১৩১ কিঃমিঃ দৈৰ্ঘ্যৰ দিংচামুখ-টেকেলীফুটা-ঢকুৱাখানা-উত্তৰ লক্ষীমপুৰ-মাজুলী-যোৰহাট সংযোগী পথৰ কাৰ্য্যকাৰিতা অধ্যয়ণ আৰু বিতং প্ৰকল্প প্ৰস্তুতিৰ কাম আৰম্ভ কৰা হৈছে। লগতে পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ৰ দ্বাৰা লংকা-খেৰনী আৰু বৈঠালাংচু-ভৈৰিংবম (দৈৰ্ঘ্য ১৩৫ কিঃমিঃ)ৰ কাম সম্পূৰ্ণ কৰা হৈছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এলেকাত প্ৰস্তাৱিত বন্যপ্ৰাণী অনুকূল ব্যৱস্থা ৰূপায়ণৰ বাবে কাৰ্য্যকাৰীতা অধ্যয়ণ আৰু বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ কামো আৰম্ভ কৰা হৈছে।

ওপৰত উল্লেখ কৰা খিনিৰ উপৰিও ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম পৰিসীমিতই ডিব্ৰুগড় বাইপাছ, ডিগবৈ, মাৰ্ঘেৰিটা আৰু লিডু বাইপাছ, ইটানগৰলৈ ৪-লেন, নুমলীগড়ৰ পৰা ডিব্ৰুগড়লৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৪-লেন, গহপুৰৰ পৰা নুমলীগড়ৰ মাজত ৪-লেন সংযোগ (মুঠ দৈৰ্ঘ্য ৪৩১.৫৪২ কিঃমিঃ) ৰ কাম ৰূপায়ণ কৰি আছে।

গৃহ নিৰ্মাণ খণ্ডত চৰকাৰী ভৱন সমূহৰ নিৰ্মাণ, মেৰামতি, পুনৰ সংস্থাপন আৰু তদাৰকীৰ বাবে শেহতীয়া আৰু পৰিবেশ অনুকূল প্ৰযুক্তি ব্যৱহাৰৰ ওপৰত অতিশয় গুৰুত্ব প্ৰদান কৰা হৈছে। ২৫০০ বৰ্গ মিটাৰতকৈ অধিক কালিৰ সকলোবোৰ নতুন ভৱনকে সেউজ ভৱন হিচাপে নিৰ্মাণ কৰা হৈছে আৰু ন্যূনতম তিনি তাৰকাযুক্ত গৃহ (GRIHA) ৰেটিঙৰ অধীনলৈ অনা হৈছে। কম শক্তিখৰছী প্ৰযুক্তিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। শক্তি সংৰক্ষণৰ বাবে এল ই ডি আলোকীকৰণসহ ১৪ টা নতুন প্ৰকল্প হাতত লোৱা হৈছে। পৰম্পৰাগত আলোকীকৰণৰ ব্যৱস্থা থকা চাৰিটা বৰ্তমানে থকা ভৱনক এল ই ডি আলোকীকৰণলৈ ৰূপান্তৰ কৰা হৈছে।

আমাৰ চৰকাৰে ভেলোৰ, চেন্নাই, কলকাতা আৰু বেংগালুৰুত অসম ভৱনো নিৰ্মাণ কৰি আছে যাৰ ফলত সেইসমূহ ঠাইলৈ চিকিৎসাৰ বাবে যোৱা ৰাজ্যখনৰ লোকসকলৰ বাবে এক ডাঙৰ সহায় হ'ব।

অন্যান্য বহুটো প্ৰকল্পৰ ভিতৰত অসমৰ বিভিন্ন জিলাত নিৰ্মাণ কৰা ৯ খন আদৰ্শ স্নাতক মহাবিদ্যালয় আৰু ২১ খন নতুন পলিটেকনিকৰ কথা মই উল্লেখ কৰিব বিচাৰো। উত্তৰ গুৱাহাটীত ১০০.০০ কোটি টকাৰ প্ৰাককলিত ব্যয়ৰে নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় আইন মহাবিদ্যালয় আৰু ন্যায়িক একাডেমীৰ প্ৰথম পৰ্যায়ৰ কাম প্ৰায় সমাপ্ত হৈছে। ১৮৯ কোটি টকা প্ৰাককলিত ব্যয়ৰে নগাঁও, উত্তৰ লখিমপুৰ আৰু ধুবুৰীত তিনিখন নতুন মেডিকেল কলেজৰ ভৱন সমূহ নিৰ্মাণৰ কাম সোণকালে আৰম্ভ কৰা হ'ব।

## সাংস্কৃতিক পৰিক্ৰমা বিভাগ

ৰাজ্যখনৰ বৈচিত্ৰময় সংস্কৃতিক এক জীৱন্ত পৰম্পৰা হিচাপে সংৰক্ষণ আৰু প্ৰসাৰণৰ বাবে তথা ইয়াক যথাযথভাবে বজাই ৰখাৰ অৰ্থে আমাৰ চৰকাৰে আন্তৰিকতাৰে কাম কৰি আছে। আমাৰ চৰকাৰে হাতত লোৱা বহুসংখ্যক পদক্ষেপৰ ভিতৰত চাপৰত শৰৎ সিংহ স্মাৰক সাংস্কৃতিক প্ৰকল্প, পিঠাখোৱাত চন্দ্ৰ নাথ শৰ্মা সাংস্কৃতিক প্ৰকল্প (যিটো সম্পূৰ্ণ হৈ উঠিছ), জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' সমাজ চৌহদত এখন ফিল্ম চিটি নিৰ্মাণ (কাম চলি আছে) গোলাঘাটত 'সতী সাধিনী' সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ (সম্পূৰ্ণ হোৱাৰ পথত), জালুকবাৰীত থকা ডঃ ভূপেন হাজৰিকা স্মাৰকৰ ভিতৰৰৰ কামসমূহ (কাম চলি আছে) আৰু ৰাজ্যখনৰ বিভিন্ন জিলাত সাংস্কৃতিক চৌহদ নিৰ্মাণৰ কথা প্ৰধানকৈ মই উল্লেখ কৰিব খোজো।

ৰাজ্যখনৰ পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্নসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ অৰ্থে আমাৰ চৰকাৰৰ পুৰাতত্ত্ব সঞ্চালকালয়ে যথেষ্ট গুৰুত্ব প্ৰদান কৰি আছে। "অসম প্ৰাচীন কীৰ্তিচিহ্ন আৰু ৰেকৰ্ড আইন, ১৯৫৯" আৰু অসম প্ৰাচীন কীৰ্তিচিহ্ন আৰু ৰেকৰ্ড বিধি, ১৯৬৪" অনুসৰি সৰ্বমুঠ ১১৫ টা পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্ন আমি সংৰক্ষণ কৰিছো। এই পুৰাতাত্ত্বিক স্থানসমূহৰ কিছুমান ইতিমধ্যে পৰ্যটন স্থান হিচাপে উন্নীতকৰম কৰা হৈছে।

উত্তৰ-পূৰ ভাৰতৰ ইতিহাস, সংস্কৃতি, কলা আৰু স্থাপত্য কলা প্ৰদৰ্শন কৰি গুৱাহাটীত থকা অসম ৰাজ্যিক সংগ্ৰহালয়টোক এটা ৰাষ্ট্ৰীয় সংগ্ৰহালয়লৈ উন্নীত কৰাৰ বাবে আমাৰ চৰকাৰে পদক্ষেপ

গ্ৰহণ কৰিছে। মঙ্গলদৈ জিলা সংগ্ৰহালয়ত আমি এটা নতুন গেলাৰী স্থাপন কৰিছো আৰু আন এটা গেলাৰী নগাওঁত স্থাপন কৰিবলৈ লোৱা হৈছে।

আমাৰ চৰকাৰে ৰাজ্যকনৰ সকলো জিলা আৰু মহকুমাত পুঁতিভড়ালৰ সা-সুবিধা উন্নত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। আমি শিৱসাগৰ আৰু ডিব্ৰুগড়ত অধ্যয়ন কোঠাৰ উন্নীতকৰণ কৰিছো আৰু সৰুপথাৰত মহকুমা পুথিভঁড়ালৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। বিশ্বনাথ চাৰিআলি আৰু ঢকুৱাখানাত মহকুমা পুথিভড়াঁলৰ নিৰ্মাণকাৰ্য চলি আছে। আমি আন সকলো মহকুমাতে মহকুমা পুথিভড়াঁল নিৰ্মাণ কৰিম।

## খনি আৰু খনিজ সম্পদ বিভাগ

আমাৰ চৰকাৰে কিছুমান উল্লেখযোগ্য পদক্ষেপ হাতত লোৱাৰ ফলশ্ৰুতিত ৰাজ্যখনে খনিজ সম্পদৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিছে। অসমৰ ভূ-তত্ব আৰু খনি সঞ্চালকালয়ে কাৰ্বি আংলঙত কয়লাৰ ভাণ্ডাৰ, ডিমা হাচাওত চূণশিলৰ ভাণ্ডাৰ, গোলাঘাট আৰু কাৰ্বি আংলং জিলাত গৰম পানীৰ উৎস আৰু গোৱালপাৰা জিলাত লোৰ আকৰৰ ভাণ্ডাৰ অন্বেষনৰ কাম চলাই আছে। বিভাগটোৱে কামৰূপ, নগাওঁ আৰু কাৰ্বি আংলং জিলাত ভূ-জলৰ ব্যৱহাৰ, পানীৰ মানদণ্ড মূল্যায়ন আদিৰ ক্ষেত্ৰত সজাগতা আঁচনিসমূহ হাতত হৈছে।

## তথ্য প্ৰযুক্তি বিভাগ

সমগ্ৰ দেশৰ ডিজিটেল ভাৰত অভিযানৰ আৰ্হিত ডিজিটেল অসমৰ ওপৰত আমাৰ চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ২০১৬ বৰ্ষত ডিজিটেল অসমৰ ল’গ’ৰ বাবে এখন মুকলি প্ৰতিযোগিতা আৰম্ভ কৰা হৈছিল আৰু ৰাজ্যখনৰ বাবে এতিয়া এটা ল’গ’(Logo) নিৰ্বাচন কৰা হৈছে।

আমাৰ ৰাজ্যখনক ডিজিটেলভাৱে সাক্ষৰ কৰি তোলাৰ বাবে অহা ৫ বছৰৰ ভিতৰত ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ পৰিয়ালে প্ৰতি অন্ততঃ এগৰাকী ব্যক্তিক ডিজিটেলভাৱে সাক্ষৰ কৰি তুলিবলৈ তথ্য-প্ৰযুক্তি বিভাগে এক অভিলাষী প্ৰকল্প হাতত লৈছে। এই প্ৰকল্প ২৪/৮/২০১৬ তাৰিখে আৰম্ভ কৰা হৈছে। এই পৰ্যন্ত ১,০৭,৫৬২ গৰাকী হিতাধিকাৰী পঞ্জীয়নভুক্ত হৈছে আৰু ১৬৭০ টা প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে ৬৫,০২৫ গৰাকী লোকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। পৰৱৰ্তী ৫ বছৰৰ বাবে ২০১৭-১৮ বৰ্ষৰ পৰা প্ৰতি বছৰে ৫ লাখ লোকক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ ৰাজ্যখনে লক্ষ্য স্থিৰ কৰিছে।

২০১৭ চনত আমাৰ বাবে এক নতুন তথ্য-প্ৰযুক্তি নীতি গ্ৰহণ কৰা হ’ব। অসমৰ এই তথ্য-প্ৰযুক্তি নীতিৰ খচৰা প্ৰস্তুত কৰা হৈছে আৰু এইক্ষেত্ৰত শীৰ্ষস্থানীয় শিক্ষাবিদ, ঔদ্যোগ সংঘ, স্থানীয় উদ্যোগী আৰু চৰকাৰী বিভাগসমূহৰ সৈতে আলোচনা কৰা হৈছে। চূড়ান্ত তথ্য-প্ৰযুক্তি নীতি এতিয়া অনুমোদনৰ বাবে সাজু হৈ উঠিছে। এইটো আশা কৰা হৈছে যে এই নতুন নীতিয়ে ৰাজ্যখনত আই টি/আই টি ই এছ / বি পি অ’ (IT/ITeS/BPO) আৰু বৈদ্যুতিন উৎপাদনকাৰী উদ্যোগসমূহৰ সংখ্যা বৃদ্ধি কৰিব আৰু বহিঃ বিনিয়োগক আকৰ্ষিত কৰিব যাৰ দ্বাৰা আমাৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ বৃহৎ সা-সুবিধাৰ দ্বাৰ মুকলি হ’ব।

**প্ৰাথমিক শিক্ষা বিভাগ**

ৰাজ্যখনত প্ৰাথমিক শিক্ষা ব্যৱস্থাটোৰ প্ৰসাৰৰ বাবে আমাৰ চৰকাৰে বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাথমিক শিক্ষাক পুনৰুজ্জীৱিত কৰাৰ বাবে ২০১৬-১৭ বৰ্ষৰ কালছোৱাত আমি ৰাজ্যখনত ৭২২৬ গৰাকী সহকাৰী শিক্ষকক নিযুক্তি প্ৰদান কৰিছো। খালী হৈ থকা অৱশিষ্ট পদৰ ভিতৰত জিলা প্ৰাথমিক শিক্ষাৰ অধীনত ১০,৩৩৬ টা পদ আৰু সৰ্বশিক্ষা অভিযানৰ অধীনত ৩১৯৪ টা পদৰ বাবে বিজ্ঞাপন দিয়া হৈছে আৰু খালী পদসমূহ পূৰণৰ প্ৰক্ৰিয়া চলি আছে। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰ্যায়ত পঠনৰ প্ৰয়োজনীয় দক্ষতাৰ বিকাশ ঘটোৱা আৰু বিদ্যালয়সমূহত পঠন আৰু লিখনৰ বাবে এক অনুকূল পৰিৱেশ আৰু সা-সুবিধা সৃষ্টিৰ লক্ষ্যৰে 'পঢ়ে ভাৰত বঢ়ে ভাৰত'ৰ আৰ্হিত আমাৰ চৰকাৰে পঠন বৃদ্ধি কাৰ্যসূচী (REP) ও ৰূপায়ণ কৰি আছে।

সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে মানসন্মত প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰা আৰু ৰাষ্ট্ৰীয় ৰেংকিঙত ৰাজ্যখনৰ স্থান উন্নীত কৰাৰ প্ৰতি আমাৰ চৰকাৰ অতিকৈ উদ্বিগ্ন। এই উদ্দেশ্যৰ বাবেই গুজৰাটৰ আৰ্হিত অসমতো গুণোৎসৱ ৰূপায়ণ কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গুজৰাটত ৰূপায়িত গুণোৎসৱক দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত এক অন্যতম শ্ৰেষ্ঠ অনুশীলন হিচাপে চিনাক্ত কৰা হৈছে। প্ৰাৰম্ভিকভাৱে প্ৰথম পৰ্যায়ত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বাবে আঠ খন জিলাক গুণোৎসৱৰ অধীনত সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে।

**পৰিকল্পনা আৰু উন্নয়ন বিভাগ ঃ** ৰাজ্যখনত বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ (SDGs) ৰূপায়ণৰ ওপৰত ামাৰ চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। ২০১৫ চনৰ ২৫ ছেপ্তেম্বৰত ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদত ১৯৩ খন দেশৰ দ্বাৰা সৰ্বসন্মতভাৱে গৃহীত বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ লগত সংগতি ৰাখি পৰিকল্পনা আৰু উন্নয়ন বিভাগত এটা এছ ডি জি কোষ (SDG Cell) স্থাপন কৰা হৈছে। এক 'ভিজন আছাম ২০৩০ সকলোৰে বাবে সকলো সৰ্বাত্মক আৰু বহনক্ষম উন্নয়ন অৰ্জন' প্ৰকাশ কৰা হৈছে। বহনক্ষম উন্নয়ন লক্ষ্যৰ প্ৰথমখন ভিজন ডকুমেন্ট 'অসম ২০৩০, আমাৰ সপোন, আমাৰ প্ৰতিশ্ৰুতি, ২০১৬ চনৰ ৩ অক্টোবৰ তাৰিখে উন্মোচন কৰা হৈছে। একক সহযোগপূৰ্ণ সৰ্বাত্মক পদক্ষেপ (Single Synergized Holistic Initiative-SSHI) হিচাপে বহমক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ ৰূপায়ণ সংযোজিত কৰাৰ বাবে ৭ বছৰীয়া কৌশলগত আঁচনি আৰু ৩ বছৰীয়া কৰ্ম আঁচনি (SPAP) প্ৰস্তুত কৰাৰ কাম চলি আছে।

বছৰি প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে বিধায়ক এলেকা উন্নয়ন (MLAAD) আঁচনিলৈ পুঁজি আবন্টনৰ পৰিমাণ ১ কোটি (এক কোটি) টকালৈ বৃদ্ধি কৰা হৈছে। এম এল এ এ ডি আঁচনিৰ ৰূপায়ণৰ অৰ্থে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাবে ১২৬.০০ কোটি টকা মুকলি কৰি দিয়া হৈছে।

অপৰিশোধেয় কেন্দ্ৰীয় আঁচনিৰ পুঁজি (NLCPR) ৰ অধীনত উত্তৰ-পূৰ উন্নয়ন মন্ত্ৰালয়ে ৰাজ্যখনৰ বাবে মুঠ ৪০১৪.৮৬ কোটি টকাৰ অনুমোদনসহ মুঠ ৬২৬ টা প্ৰকল্প (বি টি চি পেকেজ, কে এ এ টি চি পেকেজ আৰু ডি এইচ এ টি চি পেকেজকে ধৰি) ত মঞ্জুৰী প্ৰদান কৰিছে। এই মন্ত্ৰালয়ে ৩০০১.৬০ কোটি টকা (২০১৬ ৰ ডিচেম্বৰ পৰ্যন্ত) মুকলি কৰি দিছে যাৰ বিপৰীতে

অসমে ২৪৫১.১৯ কোটি টকা ব্যৱহাৰ কৰিছে। এই ৬২৬ টা প্ৰকল্পৰ ভিতৰত ৪০০ টা ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে আৰু ২২৬ টা প্ৰকল্পৰ কাম চলি আছে। ২০১৬-১৭ বৰ্ষত অপৰিশোধেয় কেন্দ্ৰীয় আঁচনিৰ পুঁজিৰ অধীনত উত্তৰ-পূৰ উন্নয়ন মন্ত্ৰালয়ে ৬৩.৩১ কোটি টকাৰ অনুমোদিত ব্যয়ৰ ৬ টা প্ৰকল্প ৰাখি থৈছে। উত্তৰ-পূৰ পৰিষদে পুঁজি যোগান ধৰা ৭১ টা প্ৰকল্পৰ কাম চলি আছে। ২০১৬-১৭ বৰ্ষত ৩১ টা প্ৰকল্প/আঁচনিৰ অগ্ৰাধিকাৰৰ এক তালিকা উত্তৰ-পূৰ পৰিষদৰ বিবেচনাৰ্থে দাখিল কৰা হৈছে। ইয়াতে৬৬২১.৪৯ লাখ টকা পুঁজিৰ ১২ টা প্ৰকল্প উত্তৰ-পূৰ পৰিষদে ৰাখি থৈছে।

আমাৰ চৰকাৰে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব (PPP) ৰ অধীনত বহু সংখ্যক পদক্ষেপ হাতত লৈছে। এক ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব নীতি প্ৰস্তুত কৰা হৈছে। আৰু পি পি পি প্ৰকল্প সমূহৰ সময়মতে ধনৰ অনুমোদন আৰু ফলপ্ৰসু ৰূপায়ণৰ বাবে জাননী জাৰি কৰা হৈছে। পৃষ্ঠপোষক সংস্থাসমূহলৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ অৰ্থে ৰাজ্যিক বাজেটত ধনৰ যোগানৰ জৰিয়তে এক প্ৰকল্প উন্নয়ন পুঁজি (PDF) ইয়াৰ দ্বাৰা সামৰি লোৱা হৈছে। ২০১৬ বৰ্ষৰ ডিচেম্বৰলৈকে ৫২৪৮ কোটি টকাৰ যুটীয়া খৰছত বিভিন্ন বিভাগৰ দ্বাৰা ২৩ টা পি পি পি প্ৰকল্প হাতত লোৱা হৈছে। পৰৱৰ্তী পৰ্যায়ত ওপৰত উল্লেখিত পদক্ষেপসমূহ হাতত লোৱাৰ অৰ্থে পথ আৰু যাতায়ত, নগৰীয়া আন্তঃগাঁথনি, ঔদ্যোগিক আন্তঃগাঁথনি আৰু শক্তিৰ দৰে প্ৰধান খণ্ডসমূহত বৰ্ত্তমানে থকা আন্তঃগাঁথনিৰ অধ্যয়ন তথা ব্যৱধান দূৰ কৰিবলৈ এক ভৱিষ্যত কৰ্মপন্থা আগবঢ়াবলৈ আমাৰ চৰকাৰে এক ২০ বছৰীয়া সুদুৰপ্ৰসাৰী আন্তঃগাঁথনি উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিছে।

**<u>স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ঃ</u>** আমাৰ সমাজখনত মানৱ উন্নয়ন সূচাংকৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰিবলৈ স্বাস্থ্য হ'ল এক অন্যন্ত গুৰুত্বপূৰ্ণ খণ্ড। আমাৰ ৰাজ্যখন এতিয়াও পৰ্যাপ্ত আন্তঃগাঁথনি আৰু সা-সৰঞ্জামৰ অভাৱ চিকিৎসক আৰু নাৰ্চকে ধৰি বিষয়া-কৰ্মচাৰীৰ নাটনিৰ দৰে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আছে। বিগত সময়ত আমাৰ চৰকাৰে এনেধৰণৰ বিষয়সমূহ সমাধান কৰাৰ জৰিয়তে স্বাস্থ্য খণ্ডৰ দৃশ্যপট উন্নত কৰাৰ বাবে আমাৰ চৰকাৰে কঠোৰ শ্ৰম কৰি ।ছে। এই যাত্ৰা আৰম্ভহে হৈছে আৰু এই দিশত এতিয়াও বহু দূৰ আগুৱাবলৈ বাকী আছে।

ৰাজ্যখনৰ সকলো নাগৰিকলৈ স্বাস্থ্য সম্পৰ্কীয় সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত আমাৰ চৰকাৰে উল্লেখনীয় সফলতা লাভ কৰিছে। এছ আৰ এছ, আৰ জি আইৰ জৰীপ অনুসৰি ৰাজ্যখনত শিশুৰ মৃত্যুৰ হাৰ (IMR) ২০১৩ চনৰ ৫৪-ৰ পৰা ২০১৪ চনত ৪৯ লৈ হ্ৰাস পোৱাটোৱে এইটোৱে সূচায় যে শিশুৰ মৃত্যুৰ হাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। এইটো হৈছে বিগত বৰ্ষসমূহৰ তুলনাত এই ক্ষেত্ৰত সৰ্বাধিক হ্ৰাস। সেইদৰে তথ্যই এইটোৱে প্ৰকাশ কৰে যে আৰ জি আই অনুসৰি ৰাজ্যখনৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR) ২০০৪-০৫ বৰ্ষৰ ৪৮০ ৰ তুলনাত ২০১১-১৩ বৰ্ষত ৩০০ লৈ হ্ৰাস পাইছে। অৰ্থাৎ অভিলেখ সংখ্যক ১৮০ পইন্ট হ্ৰাস পাইছে।

আমাৰ অতি আদৰৰ নেতা তথা ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰী অটল বিহাৰী বাজপেয়ীজীৰ নামত আমাৰ চৰকাৰে ৰাজ্য ব্যাপী অটল অমৃত অভিযান' নামেৰে এক অগ্ৰনী স্বাস্থ্য নিশ্চিত আঁচনি ৰূপায়ণ কৰিবলৈ লৈছে। এই নতুন আঁচনিখনৰ উদ্দেশ্যে হ'ল নিৰ্দিষ্ট ৬ টা বেমাৰৰ যেনে ঃ (i)

হৃদপিণ্ড সম্বন্ধীয় বেমাৰ (ii) কৰ্কট ৰোগ (iii) বৃক্কৰ বেমাৰ (iv) নৱজাতকৰ অসুখ (v) স্নায়ুজাত বিকাৰ আৰু (vi) জুয়ে পোৰাৰ চিকিৎসাৰ বাবে দাৰিদ্ৰ সীমাৰেখাৰ তলৰ দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ (বছৰি পৰিয়ালৰ উপাৰ্জন ৫ লাখ টকা পৰ্যন্ত) পৰিয়ালৰ লোকক অস্ত্ৰোপ্ৰচাৰ আৰু থেৰাপী প্ৰদানৰ অৰ্থে চিকিৎসালয়ত ভৰ্ত্তিৰ প্ৰয়োজন হ'লে তেনে ৰোগীয়ে গুণগত মানৰ তিনিটা পৰ্যায়ৰ (Tertiwoy) চিকিৎসাসেৱা লাভ কৰাটো সহজসাধ্য কৰি তোলা এই স্বাস্থ্য বীমাৰ সুবিধা ৰাজ্যখনৰ বাহিৰ আৰু ভিতৰ উভয়তে চিকিৎসালয়ত এক তালিকাভুক্ত (Empanelled) নেটৱৰ্কৰ জৰিয়তে প্ৰদান কৰা হ'ব।

প্ৰসূতিৰ মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰিবলৈ প্ৰতি মাহৰ ৯ তাৰিখে গৰ্ভৱতী মহিলাসকলক তেওঁলোকৰ গৰ্ভাৱস্থাৰ দ্বিতীয় আৰু তৃতীয় ত্ৰিমাহিক (Trimester) কালছোৱাত এগৰাকী চিকিৎসক অথবা স্ত্ৰীৰোগ বিশেষজ্ঞৰ দ্বাৰা অন্তত এবাৰ প্ৰসৱৰ পূৰ্বৰ স্বাস্থ্য পৰীক্ষা সুনিশ্চিত কৰাৰ বাবে ৰাজ্যখনত প্ৰধান মন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানো ৰূপায়ণ কৰি থকা হৈছে।ৰাজ্যখনত টীকাকৰণৰ দ্বাৰা অধিকভাৱে সামৰি লোৱাৰ বাবে ২০১৬ চনৰ ২৯ চেপ্তেম্বৰৰ পৰা বিশেষ টীকাকৰণ অভিযানৰ তিনিটা পৰ্যায় অনুষ্ঠিত কৰা হৈছে। ইয়াৰ উপৰি চিকিৎসাজনিত ব্যয় হ্ৰাস কৰাৰ জৰিয়তে অসমৰ ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে বিনামূলীয় ৰোগ নিৰ্ণয় সেৱা (পৰীক্ষাগাৰৰ সা-সুবিধা, এক্সৰে আৰু চিটি স্কেন) আৰম্ভনৰ প্ৰক্ৰিয়া চলাই আছে। তদুপৰি আমাৰ চৰকাৰে অসমৰ ২৭ খন জিলাত ডায়েলাইচিচ কাৰ্যসূচী আৰম্ভ কৰিবলৈ লৈছে।

আমাৰ চৰকাৰে ৰাজ্যখনত অসম আৰোগ্য নিধিও পুনৰুজ্জীৱিত কৰিছে। এই আঁচনিৰ অধিনত ২০১৬-১৭ বৰ্ষত (নৱেম্বৰ পৰ্যন্ত) ২১২১ গৰাকী হিতাধিকাৰীয়ে বিত্তীয় সাহায্য লাভ কৰিছে। ২০১৬ চনৰ ২ অক্টোবৰত ১৯৭৮ গৰাকী হিতাধিকাৰীৰ মাজত অসম আৰোগ্য নিধিৰ চেক্ বিতৰণ কৰা হৈছে।

আমাৰ চৰকাৰে ২০১৬-১৭ বৰ্ষত ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ অধীনত বিভিন্ন স্বাস্থ্য আন্তঃগাঁথনি উন্নয়নৰ আঁচনি হাতত লৈছে। যেনে- হোজাইত নতুন জিলা চিকিৎসালয়, মাজুলী, বিশ্বনাথ চাৰিআলি, সোণাৰি, হাটশিঙিমাৰি আৰু হামৰেণস্থিত মহকুমা অসামৰিক চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ উন্নীতকৰণ। তাৰোপৰি ৭ টা নতুন ব্লাড বেংক গোট স্থাপনৰ কাম হাতত লোৱা হৈছে আৰু শিলচৰ, ডিফু, কোকৰাঝাৰ, পানেৰী আৰু মাজবাটত নতুন আদৰ্শ চিকিৎসালয় স্থাপন কৰিবলৈ লোৱা হৈছে।

ছখন মেডিকেল কলেজৰ উপৰি ভাৰত চৰকাৰে চাৰিখন অতিৰিক্ত মেডিকেল কলেজ স্থাপনত অনুমোদন জনাইছে যিসমূহ ডিফু, ধুবুৰী, নগাঁও আৰু উত্তৰ লখিমপুৰত থকা ২০০ খন বিচনাযুক্ত জিলা ৰেফাৰেল চিকিৎসালয়ত স্থাপন কৰা হ'ব। আমাৰ চৰকাৰে কোকৰাঝাৰত অন্য এখন নতুন মেডিকেল কলেজ স্থাপনৰো প্ৰস্তাৱ আগবঢ়াইছে।

আমি শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য সেৱা বিশ্ব বিদ্যালয়, অসম-ও স্থাপন কৰিছো যাৰ কাম-কাজ ইতিমধ্যে চলি আছে আৰু ৰাজ্যখনৰ সকলোবোৰ চিকিৎসা প্ৰতিষ্ঠানকে এই বিশ্ববিদ্যালয়ৰ অধীনলৈ অনা হৈছে। বিভিন্ন পাঠ্যক্ৰমৰ বাবে প্ৰাৰ্থী বাছনিৰ প্ৰৱেশ পৰীক্ষা এই বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰিছে।

এলোপেথিক চিকিৎসকসকলৰ অৱসৰৰ বয়স ইতিমধ্যেই ৬৫ বছৰলৈ বৃদ্ধি কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ইতিমধ্যেই অমৃত ফাৰ্মাচী আৰম্ভ কৰা হৈছে আৰু অসমৰ সকলোবোৰ মেডিকেল কলেজতে উৎসৰ্গীকৃত সান্ধ্য বহিঃবিভাগৰ কাম-কাজ চলি আছে।

বাজেটত ঘোষণাৰ এক অংশ হিচাপে ৰাজ্যখনত সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মাজুলী আৰু দুধনৈত দুখন ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ সূচনা কৰা হৈছে আৰু ইয়াৰ কাম অনতিপলমেই আৰম্ভ হ'ব। ৰাজ্যখনৰ সাধাৰণ জনতাৰ মাজত যোগাভ্যাসৰ সুবিধাৰ প্ৰসাৰ ঘটোৱাৰ অৰ্থে বিভিন্ন জিলাৰ ১০০ টা যোগ কেন্দ্ৰ স্থাপনৰ বাবে চিনাক্ত কৰা হৈছে। চৰকাৰী আয়ুৰ্বেদিক চিকিৎসালয়সমূহৰ বৰ্তমানৰ আন্তঃগাথনি উন্নয়নৰ বাবে পুঁজি ধাৰ্য কৰা হৈছে আৰু ইয়াৰ কাম-কাজ পৰ্যায়ক্ৰমি চলি আছে।

ব্লাড বেংকিং ব্যৱস্থাৰ সম্পূৰ্ণ স্বয়ংক্ৰিয়কৰণৰ বাবে আমাৰ চৰকাৰে ২০১৬ চনৰ ১ ডিচেম্বৰৰ দিনা বিশ্ব এইড্‌ছ দিৱসৰ উপলক্ষ্যত অসমত ই-ব্লাড বেংকিং ব্যৱস্থা আৰম্ভ কৰিছে।

এইচ আই ভিৰ দ্বাৰা আক্ৰান্ত বা সংক্ৰমিত হোৱা মাউৰাসকলৰ বাবে ৰাজ্যখনত কস্তুৰী ফেয়াৰ হোম নামেৰে এটা বিশেষ যতন গৃহ স্থাপন কৰা হৈছে। এতিয়া এই মাউৰা গৃহত ১৬ গৰাকী মাউৰাই বাস কৰে। এইড্‌ছৰ বলি হোৱা ব্যক্তিসকলৰ বিধৱা পত্নীলৈ ১ লাখ টকাকৈ এককালীন বিত্তীয় সাহায্য (অনুদান) প্ৰদান কৰা হৈছে। বৰ্তমানলৈকে মুঠ ৩৪৪ গৰাকী বিধৱাই এই অনুদান লাভ কৰিছে। তাৰ ভিতৰত ৫২ গৰাকীয়ে এই বিত্তীয় বছৰত অনুদান লাভ কৰিছে।

সামৰণি বক্তব্যঃ

প্ৰিয় নাগৰিকসকল, এই পৱিত্ৰ উপলক্ষ্যত আমি নিজকে পুনৰবাৰ ৰাষ্ট্ৰৰ হকে উছৰ্গা কৰো আৰু আমাৰ ধুনীয়া ৰাজ্যখন আৰু মহান দেশখনৰ কল্যাণৰ হকে কঠোৰ পৰিশ্ৰম কৰাৰ সংকল্প লওঁ আঁহক। আমাৰ গণতান্ত্ৰিক নীতি সমূহ শক্তিশালী কৰাৰ লগতে সমাজৰ সকলো অংশৰ মাজত সমন্বয় সাধন প্ৰক্ৰিয়াত উৎসাহিত কৰো আহক। আহক, আমি প্ৰত্যেকে প্ৰত্যেকৰ কাষলৈ যাওঁ, সমাজৰ প্ৰতিটো অংশৰে ওচৰ চাপোঁ আৰু এখন সমৃদ্ধিশালী অসম, এখন শান্তিপূৰ্ণ উত্তৰ-পূৰ্বাঞ্চল আৰু দেশখনৰ সুন্দৰ ভৱিষ্যৎৰ বাবে একেলগে আগবাঢ়োঁ।

জয় আই অসম

জয় হিন্দ